চান্দমামা

জানুৱাৰি ১৯৯৩



সকলোৰে আহাছোন কেম্পকো-ৰ গাবলৈ গুণ!

"গাখীৰৰ গুণ আ,পুষ্টিও আছে ওপচি, মেয়ে যাঁও খাবলৈ সকলো নেওচি।
এনে এটা চকোলেট - আছে সকলো যত, কেম্পকো ক্ৰীমি মিল্ক চকোলেট।"

ভাৰতৰ এটাইতকৈ ডাঙৰ, সবাতোকৈ আধুনিক প্লান্টত তৈৰি।
কেম্পকো লিমিটেড, মাঙ্গালোৰ ·

R K SWAMY/BBDO CL 10117 AS

পোলিঅ'প্লাছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰলগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণ-কৈ দিব লাগিব।



গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ



Your child and Floppy

You just can't keep them apart.

A wide range of soft toys from the Chandamama Collection – each with its own unique appeal!

Every Soft Toy in the Chandamama Collection has been specially made to bring your child years of warmth and friendship.

PANDA

- Totally Safe – for children of any age.
- Durable – high quality synthetic fibre used.
- Washable – will not lose shape.



BOW-WOW

And now – a surprise gift offer ! With every Chandamama Soft Toy you buy. Ask your shopkeeper for a

Free Gift Coupon.



JUMBO

Simply fill it in and mail it to the given address. We will post you gifts that will keep your child amused and happy for hours.

Buy Now – offer open for a limited period only!

Available at all leading outlets.

SPORTY

THE CHANDAMAMA COLLECTION

ARTIG/CT/1142

চান্দমামা

Sri Gautam Goswami
Patacharkuchi
7th January 93.

জ্যানুৱাৰী ১৯৯৩

এই * আছে

সংখ্যাত

*

প্ৰেম-ধৰ্ম	৭
সংযুক্ত ইঅ'ৰোপলৈ এখোজ	৯
মধুফলৰ ঢেঁকী	১১
মায়া মহল	১৭
আকৃতি চাই প্ৰকৃতি	২৪
যোগ্য-ভাগ্য	২৫
চান্দমামা-ক্ৰোড়পত্ৰ	৩৩
ভূতত কৈয়ো লেতেৰা	৩৭
আপোনাৰ সুতাৰে	৪১
বীৰ হনুমান	৪৫
চয়তানী কিছ্‌ছা	৫৩
নাৰীমুক্তিৰ পথ	৫৫
চান্দমামাৰ সম্বাদ	৫৯
জ্যোতিষী গাধ	৬০

*

আৰু বিচিত্ৰ প্ৰকৃতি

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

প্ৰেম-ধৰ্ম

১৯৯৩ চনটো ভাৰতৰ তথা ভাৰতীয় সকলৰ পক্ষেও এটি অতি গুৰুত্বপূৰ্ণ বছৰ। আজিৰপৰা এশ বছৰৰ আগতে ভাৰত মহাসাগৰ, বংগোপসাগৰ আৰু আৰব-সাগৰৰ সংগম কন্যাকুমাৰিকাত স্বামী বিবেকানন্দই তাপস-শিলাত আৰু আমেৰিকাৰ শিকাগোৰ ধৰ্ম-মহা সম্মিলনত হিন্দুধৰ্মৰ শিক্ষাৰ দ্বাৰ জগতৰ সন্মুখত উন্মীলিত কৰিছিল।

কথিত আছে : শিকাগোৰ ধৰ্ম-মহাসন্মিলনত তেওঁ বক্তৃতা দিবলৈ মঞ্চোপৰি দণ্ডায়মান হৈ মঞ্চত উপবিষ্ট অতি উচ্চপদস্থ ব্যক্তিসকললৈ নহয়, তেওঁৰ সমুখত থকা বিশাল শ্ৰোতা-শ্ৰোতৃবৰ্গক সম্বোধন কৰিছিল 'হে মোৰ আমেৰিকাৰ ভগ্নী আৰু ভ্ৰাতৃসকল' বুলি সম্বোধন কৰাত সমগ্ৰ বিশ্ব আলোড়িত হৈ উঠিছিল।

স্বামীজীয়ে তেওঁলোকলৈ মৰমসনা দৃষ্টিৰে—প্ৰেমৰ দৃষ্টিৰে অৱলোকন কৰিছিল। সেই দৃষ্টিত, ভগ্নী বুলি ভাই বুলি সম্বোধনৰ মাজত কোন জাতি বা ধৰ্ম নাছিল, আছিল মানুহৰ প্ৰতি মানুহৰ প্ৰেমৰ স্পৰ্শ। কেওঁ কৈছিল : যেতিয়া মাত্ৰ ছজনমান মানুহে পৰস্পৰলৈ প্ৰেম-বিনিময় কৰে, তেতিয়াই এক নতুন ধৰ্মৰ জন্ম হয়।

পৰাধীনতাৰ শিকল ছিঙাৰ ছয়চল্লিছ বছৰৰ অন্ততো আমি বহুতেই বহুতক 'ভাই' বুলি সাৰটি ল'বলৈ পথ বিচাৰি আছোঁ।

আৰু সেইহে স্বামীজীৰ বাণী আজিও ভাস্বৰ হৈ আছে : দৰিদ্ৰ ভাৰতবাসী আমাৰ ভাই, মূৰ্খ ভাৰতবাসী আমাৰ ভাই, সমগ্ৰ ভাৰতেই আমাৰ দেশ আৰু আমিও সমগ্ৰ ভাৰতৰ......।

বছৰ : ১৭   জ্যানুৱাৰি ১৯৯৩   সংখ্যা : ১০

খনে ৪·০০ টকা : : বছৰেকীয়া বৰঙণি ৪৮·০০ টকা





চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ.

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এচ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

pৃথিৱীৰ খিৰিকীৰে

সংযুক্ত ইঅ'ৰোপলৈ এখোজ



১৯৫৭ চনত কেইখনমান ইঅ'ৰোপীয় দেশ একেলগ হৈ 'ইঅ'ৰোপীয়ান ইক্‌নমিক কমিউনিটি' চমুকৈ 'ই. ই. চি.' নামেৰে একত্ৰিত হৈছিল ব্যৱসায়িক স্বাৰ্থত, যি ই. ই. চি ৩৫ বছৰ ধৰি 'কমন মাৰ্কেট' নামেৰে খ্যাত হৈ আছিল। এতিয়া এই সন্থা 'ইঅ'ৰোপীয়ান কমিউনিটি' নামেৰে জানাজাত (ই. চি.)। সম্ভহতে—এই নামটিক অধিক অৰ্থব্যঞ্জক কৰি তোলাৰ বাবে ইয়াক অৰ্থাৎ এই সংস্থাক 'ইঅ'ৰোপীয়ান ইউনিয়ন (ই. ই.) নামলৈ সলোৱাৰ চেষ্টা কৰা হ'ব ধৰিছে।

পোনতে এই আৰ্থিক সন্থাৰ সদস্য আছিল মাত্ৰ ছখন দেশ—বেলজিয়াম, ফ্ৰান্স, ইতালি, লাক্‌জমবুৰ্গ, নেদাৰল্যাণ্ডছ আৰু পশ্চিম জাৰ্মানি। ১৯৭৩ চনত আন

ছখন দেশেও এই সন্থাত যোগ দিলে। সেই ছখন দেশ হ'ল—যথাক্রমে ডেনমাৰ্ক, স্পেইন, আয়াৰল্যাণ্ড, গ্ৰিছ, পৰ্টুগাল, আৰু ইংল্যাণ্ড।

১৯৯১ চনত উক্ত ১২ খন দেশৰ বিদেশ-মন্ত্ৰীবৰ্গই নেদাৰল্যাণ্ডছৰ ম্যাছ্‌ট্ৰিচ্চ্‌ নামৰ ঠাই এডোখৰত একত্ৰিত হৈ 'ইঅ'ৰোপীয়ান ইউনিয়ন ট্ৰিট' নামৰ এক চুক্তিত স্বাক্ষৰ কৰিলে। এই চুক্তিমতে—উক্ত বাৰখন দেশৰ পৃথক অস্তিত্বকো আগৰ দৰেই মান্য কৰা হ'ব। এই চুক্তিৰ নামেই হ'ল, 'ম্যাছ্‌ট্ৰিচ্চ্‌ চুক্তি'।

এই চুক্তিৰ অন্তৰালত কিঞ্চিত কাৰণ অৱশ্যেই আছে। আমেৰিকা আৰু তদানীন্তন ছোভিয়েতৰ মাজত চলি থকা 'শীতল যুদ্ধ'ৰ যেতিয়া অৱসান হ'ল, ছোভিয়েত দেশ যেতিয়া খণ্ড-বিখণ্ড হৈ পৰিল, তেতিয়া ভাৰসাম্য নথকা পৃথিৱী-খনত একমাত্ৰ সৰ্বশক্তিমান শক্তি হৈ উঠিল—আমেৰিকা। এই আমেৰিকাৰ তয়তে ইঅ'ৰোপীয়'সমৈক্য শক্তি'ৰ উদ্ভৱ।

এই চুক্তিৰ প্ৰধান অংশ হ'লঃ ইউনিয়নভুক্ত দেশৰ মাজত গমনাগমনৰ, সামগ্ৰীৰ সামগ্ৰিক আদান-প্ৰদান, মূলধন-বিনিময়ৰ, লোক-চলাচলৰ পূৰ্ণ স্বাধীনতা থাকিব। এই 'ম্যাছট্ৰিচ্চ্‌ চুক্তি'—১৯৯৩ চনৰ ১ জ্যানুৱাৰিৰপৰা প্ৰযুক্ত হ'ব। তাৰ এবছৰৰ অন্তত — 'ইঅ'ৰোপীয়ান মানিট্যাৰি ইনছ্‌টিটিউট' গঠিত হ'ব। ১৯৯৭ চনত গঠিত হ'ব 'ইঅ'ৰোপীয় মুদ্ৰা' (Common European Currency) প্ৰচলিত হ'ব। আৰু—নিকট ভৱিষ্যতত এই পদক্ষেপেই হ'ব 'ইঅ'ৰোপৰ এক আৰু অভিন্ন শিক্ষা সংস্কৃতি জনস্বাস্থ্য সুৰক্ষা আৰু সম্মিলিত বৈদেশিক নীতিৰে 'সংযুক্ত ইঅ'ৰোপ'লৈ এখোজ' অৰ্থাৎ—'ইউনাইটেড ষ্টেটছ অভ্‌ ইঅ'ৰোপ'।

অৱশ্যে—ইতিমধ্যেই ডেনমাৰ্কে এই চুক্তিক নাকচ কৰিলে। কিন্তু গ্ৰিছদেশে স্বীকৃতি দিলে, ফ্ৰান্সৰো ৫১ শতাংশ জনগণে স্বীকৃতি দিলে। লাক্‌জমবুৰ্গ্‌ আৰু নেদাৰল্যাণ্ডছেও এই চুক্তিলৈ সমৰ্থন জনালে। আৰু—আন সাতখন দেশৰ মতামত—এই বছৰৰ শেষৰ ফালে জনা যাব বুলি অনুমান তথা আশা কৰা হৈছে।

অষ্ট্ৰেলিয়াক বাদ দিলে ইঅ'ৰোপ অতি ক্ষুদ্ৰ মহাদেশ। ভৌগোলিক দিশৰপৰা ইঅ'ৰোপ দৰাচলতে এছিয়াৰ সৈতে যুক্ত। দুয়োখন মহাদেশৰ সীমাৰ স্পষ্টীকৰণ পোন প্ৰথমে আছিৰীয়সকলৰদ্বাৰাহে হৈছিল। আছিৰীয়-সকলে এছিয়াক 'উদীয়মান সূৰ্য্য', ইঅ'ৰোপক 'অস্তমান সূৰ্য্য' বুলি অভিহিত কৰিছিল।



মধুফলৰ ঢেঁকী

তাৰ পাঁচ বছৰীয়াতে শিবুৰে মাক-দেউতাকক হেৰুৱাইছিল। এই মাউৰা শিবুক তেতিয়া ৰামদাস নামৰ মানুহ এজনে তুলি-তালি ডাঙৰ-দীঘল কৰি কৰি ষোল্ল বছৰ পোৱালে। কিন্তু—বয়সত ষোল্ল বছৰীয়া হ'লে কি হ'ব—শিবু কোনো কামৰ লায়ক নহ'ল। দিনৰ দিনটো তাৰ টাংগুটি বাই থাকোঁতেই যায়, কাম-বনৰ কাষেদিও নাযায় সি। মুকখালি আৰু সোৰোপালি—দুয়োৰো সৈতে তাৰ গলাগলি।

ৰামদাসে এদিন শিবুক ক'লে, "বোপা ধোদামি-বদামি এৰা, কাম-কাজলৈ মন দিয়া। দুখ কৰিলেহে মুখ ভৰে—এইটি কথাকে সাৰকথা বুলি জানিবা-মানিবা। যেনেকৈয়েই নহওক দহটকীয়া হ'ব লাগিবই। হা! মোৰ চাউল উঠিলেনো তোমাক কোনে খুৱাব? আনকি চাটৰ তলত পুতিবলৈকো আৰ্জিব পৰা হ'ব লাগিব, নতুবা সকলোপিনে উপাল-পালহে দেখিবা।"

ৰামদাসৰ ঘৰৰ পিছফালে আছিল ফল-ফুল শাক-পাচলিৰ বিৰাট বাগান। ৰামদাসে এই বাগানৰ গছপুলিবোৰত পুৱা-আবেলি দুঘণ্টাকৈ পানী দিবলৈ ক'লে শিবুক। আৰু—শিবুৰে গছ-গছনি বোৰত পানী নিদিয়া হ'লে তাক ভাত-পানী নিদিবলৈকো ঘৈণীয়েকক কৈ দিলে।

সোৰোপা শিবুৰে ভাবি থাকিল: কেনেকৈনো বিনা পৰিশ্ৰমেৰে জীৱন কটাব পাৰি? এই কথাৰ উত্তৰ বিচাৰি সি আগপিছ নুগুণি এদিন ওলাই পৰিল।

গৈ গৈ শিবুৱে সাধু বাবা এগৰাকীৰ আশ্ৰম পালেগৈ।

সাধুবাবাই শিবুৰ কথাখিনি মনপুতি শুনিলে আৰু তাৰ পাছত ক'লে, "তুমি যদি বিনা কষ্টে পানী সিঁচিবা বুলি ভাবিছা—তেনেহ'লে বৰযুণ নমাব লাগিব। বৰযুণ নমোৱাৰ ক্ষমতা আৰ্জিবলৈ লাগিব বিৰাট যোগ সাধনা। ইয়াৰপৰা উত্তৰ-পূবে এক অটব্য অৰণ্য আছে আৰু সেই অৰণ্যৰ সোঁমাজত আছে এজোপা প্ৰকাণ্ড বৰগছ। সেই বৰগছত তলমূৰা হৈ ছমাহলৈ ওলমি থাকি তপস্যা কৰিলেহে তোমাৰ বিনাকষ্টে জীৱন কটোৱাৰ আশা পূৰিব।"

শিবুৱে আৰু অযথা পলম নকৰি তেতিয়াই অৰণ্যলৈ বুলি খোজ ল'লে। কিন্তু অৰণ্যৰ সোঁমাজ পাই তাত সেই বৰগছজোপাৰ ডালত আন এজন মানুহক তলমূৰা হৈ ওলমি থকা দেখি অবাক মানিলে। শিবুৱে এই মানুহজনক ক'লে, "ময়ো আপোনাৰ দৰে ওলমিবলৈহে আহিছোঁ ইয়ালৈ। সিদ্ধিৰ বাবে।"

শিবুৰ কথা শুনি বাহুলি-ওলোমা দিয়া মানুহজনে ক'লে, "সিদ্ধিৰ কাম কোনো বুদ্ধি থকাই নকৰে। মই সিদ্ধি-টিদ্ধিৰ কাৰণে এইদৰে তলমূৰা হৈ ওলমি থকা নাই। কিছুমান হাবিয়লীয়াই মোক ধাৰ-বান্ধি এইদৰে ওলোমাই থৈছে। যেই কি নহওক—আগতে গছত উঠি মোক মুক্ত কৰা, পাছত তোমাৰ কথা শুনিম।"

শিবুৱে এই মানুহজনক বান্ধি থোৱা ৰছীবোৰ সোলোকাই তাক মুক্ত কৰাৰ পাছতহে বুজি পালে যে—এই মানুহজন হ'ল এটা চোৰ। শিবুৱে সাধুবাবাই কোৱা কথাখিনি এই চোৰটোক ক'লে। তাৰ পাছত আকৌ কলে, "চুৰি কৰি-বিপদত পৰাতকৈ এইদৰে ছমাহমান ওলমি থাকি সিদ্ধি প্ৰাপ্ত হোৱা ভাল।"

শিবুৰ কথাত চোৰটোৰ পেটে পেটে



হাঁহি উঠিছিল। যদিও সি চোৰে গম্ভীৰ ভাবেৰেই ক'লে, "কি কোৰাহে! এইদৰে আধাপৰমান ওলমিয়েই মোৰ জীৱই উজান-ভাটি লগাইছিল--তুমি আকৌ বুলিছা—ছমাহ! তাতকৈ মোৰে সৈতে ব'লা, তোমাকো মহাবিদ্যা শিকাই দিম, দুয়ো দিনৰ ভাগত মজাছে টোপনি মাৰিম, ৰাতি—ফুৰিবলৈ ওলোৱাদি ওলাম, বছ, হৈ যাব।"

চোৰটোৰ এই কথাত শিবুৱে বেয়া নাপালে। সি চোৰটোৰ লগ লাগি গৈ থাকিল। গৈ—খাই-বৈ—ঘৰ এটাত সোমাই দুয়ো দুৰ্ঘোৰ ৰটোপনিত লাল কাল দিলে। আৰু তাৰ পাছত—ৰাতিৰ পৰতে গাত—ধৰিলেই চেং-পিছলা দিব পৰাকৈ গাত তেল সানিলে, আৰু তাৰ পাছত দুয়ো এন্ধাৰে-মুন্ধাৰে ওলাল।

গৈ গৈ প্ৰকাণ্ড এটা অট্টালিকাৰ পিছ ফাললৈ গৈ, সিন্ধি খান্দি দুয়ো ঘৰৰ ভিতৰলৈ সোমাব বুলি ভাবিছিল শিবুৱে। কিন্তু চোৰটোৱে ক'লে, "শুনা, এনেবোৰ ডাঙৰ ঘৰত পহৰীয়া থাকে—চিকাৰী কুকুৰো থাকে। গতিকে—আমি আন কোনোবা সৰুসুৰা ঘৰলৈ যাম, তাতে যি পাম তাৰেই তুষ্ট হৈ থাকিম।"

তাৰ পাছত—সৰু ঘৰ এটাৰ ভিতৰলৈ সিন্ধি খান্দি দুয়ো সোমালগৈ। সিহঁতৰ কপাল ভাল আছিল, সিহঁতে নগদে নগদ এহেজাৰ টকা পালে।

শিবুৱে কৈ উঠিল, "বছ হৈ গ'ল। এমাহৰ বাবে আমি দুয়ো নিঃচিন্ত। কি কোৱা? টকাখিনি আমি সমানে ভগাই ল'ম। আৰু তা'পাছত মজা মাৰিম খাম আৰু শুম। বছ।"

কিন্তু চোৰটোৱে যি ক'লে, সেই কথা শুনি শিবুৰ চকু কঁৰা হ'ল। চোৰটোৱে ক'লে, "এ—পাঁচশকৈ ল'ম কেনেকৈ? ধৰা—এই ঘৰত নগদ টকা আছে বুলি যিটোৱে খবৰটো দিছিল--তাক দিব



লাগিব এশ টকা। আমাৰ—চোৰৰ চৰ্দাৰক দিব লাগিব দুশটকা। গ'ল—তিনিশ। তা'পাছত ধৰা,—আমি এই বাটেদি আহি থাকোঁতে যিটো চকিদাৰে আমাক দেখিও নেদেখা হৈ আছিল—তাক দিব লাগিব দুশ টকা। গ'ল কিমান—? পাঁচশ। আৰু আছে। সৌ যে কাষৰ প্ৰকাণ্ড ঘৰটোৰ পৰীয়াটো—তাকো দিব লাগিব এশ টকা। এই এলেকাৰ কতোৱালে পাব এশ টকা। আৰু—কালী গোসাঁনীৰ থানলৈ পূজা আগ কৰাৰ বাবে যাব পঁচিছ টকা। —থাকিল এশ পঁয়সত্তৰ। পঁচিছ টকা দিব লাগিব সেই ঘৰটোৰ বিপৰীত ফালত থকা দোকানীটোক। আৰু বাদবাকীখিনি ভগাই—আমি পঁয়সত্তৰকৈ পাম।

এইখিনিও শিবুৰ কাৰণে যথেষ্ট। সি তাৰেও তুষ্ট। কিন্তু চুৰিৰ অন্তত চোৰটোৰ ঘৰলৈ গৈ যেতিয়া অতি সাধাৰণভাবে খাই-বৈ শুলে, তেতিয়া তাৰ মনত এই কথাই মূৰ দাঙিলে যে—তেনেহ'লে চোৰ হৈ লাভ? তাতকৈ দেখোন পৰীয়া হোৱাহে ভাল। বিনা কষ্টে এশ-দুশ পোৱা যি হয় যা হয় তো যাব।

পাছদিনা শিবু পৰীয়া মানুহজনৰ কাষ চাপিল আৰু কথাটো ক'লে তাক। পৰীয়াই ক'লে, "শুনা, পৰীয়াৰ কাম কেৱল পৰ দিয়াতে শেষ নহয়। পৰীয়াই কতোৱালৰ ঘৰৰ ঘৰুৱা কাম-বনখিনিও চাকৰ-নাকৰে কৰা দি কৰি দিব লাগে। যদি ৰাজী আছা—মই কতোৱালক ক'ব পাৰোঁ তোমাৰ কথা। চাৰি-পাঁচ বছৰ ধৰি কতোৱালৰ ঘৰুৱা কাম-কাজ কৰি কৰি আদবুঢ়া হৈ—তেহে পৰীয়াৰ চাকৰিৰ চকৰি ঘূৰাব পাৰিবা।"

"ধ্যেৎ—"

শিবুৱে কৈ উঠিল, "এনেবোৰ চাকৰৰ চাকৰি মোৰ নোপোচাব। তাতকৈ বৰঞ্চ মই কতোৱালকে হ'ম। এতিয়া কোৱা—

কতোৱাল হ'বলৈ হ'লে কি কি কায়দা-কিটিপ কৰিব লাগিব।"

"এই গাঁৱত চন্দ্ৰপ্ৰকাশ নামৰ শিক্ষক এগৰাকী আছে। তুমি তেওঁৰ কাষ চাপা, তেওঁ তোমাক কতোৱাল হোৱাৰ কায়দা-কিটিপ কৈ দিব।" পৰীয়াই ক'লে।

শিবুৰ আকাংক্ষাৰ কথা শুনি চন্দ্ৰপ্ৰকাশে ক'লে, "চোৱাঁ, মোৰ দুশ ছাত্ৰৰে মোৰপৰা পাঠ লৈছে। তুমিও নাম লগাব পাৰা। কতোৱাল হ'বলৈ হলে —চোৰ ধৰিব লাগিব, তাৰ কাৰণে দেহত লাগিব শক্তি আৰু মগজুত বুদ্ধি, চালাকীৰ শিক্ষাও ল'ব লাগিব। ধূৰ্তক ধৰিবলৈ ধূৰ্ত, সিয়ানক ধৰিবলৈ সিয়ান হ'ব লাগিব—তেহে। এয়া হ'ল—সেই যে কথাতে বোলে—টান মুখ দীঘল ফুঁক, তেহে দেখিবা জুইৰ মুখ। বুইছা?"

শিক্ষক মহাশয়ে একে উশাহতে ইমানবোৰ কথা কোৱাত শিবুৰ মূৰ আচন্দ্ৰাই কৰি উঠিল। সি শিক্ষক গৰাকীলৈ ভেবা লাগি চাই ৰ'ল। তাৰ পাছত সি লাহেকৈ সুধিলে, "দয়া কৰি কওক—প্ৰায় বিনা কষ্টে তুষ্ট হ'ব পৰা কিবা কাম-ধান্দা পাওঁনে ক'বাত?"

শিক্ষক গৰাকীয়ে কোমল মাতেৰেই ক'লে, "শুনা, তোমাৰ মনোভাব ন্যায়-

সংগত নহয়। তথাপি কওঁ—এই গাঁৱৰ সোমনাথবৰ্মা হ'ল অতি ধনী মানুহ। তেওঁক দিনে—পুৱা-গধূলি দুঘণ্টাকৈ গল্প-কাহিনী শুনাবা আৰু তেওঁৰপৰা দিনে পাঁচটাকৈ মুদ্ৰা পাবা।"

শিবু পোনে পোনেই সোমনাথবৰ্মাৰ ঘৰলৈ গ'ল। সোমনাথ আছিল লৰ-চৰ কৰিব নোৱৰা মানুহ। শিবুৱে তাৰ উদ্দেশ্যৰ কথা ক'লে সোমনাথক। সোমনাথ শিবুৰ প্ৰস্তাৱত মান্তি হল। শিবুৰ গল্প-কাহিনী শুনি সোমনাথে ভালেই পোৱা হ'ল।

এদিন শিবুৱে সোমনাথক যেতিয়া

ক'লে যে সি আৰু ক'লৈকো নাযায়, সি তেওঁৰ লগতেই থাকিব—তেতিয়া সোমনাথে ক'লে, "শুনা, তোমাৰ গল্প শুনি মই ভালেই পাইছোঁ। কিন্তু—মোৰ এই অৱস্থা—এনেকুৱা লৰ-চৰ কৰিব নোৱৰা অৱস্থা আৰু বৰ বেছি দিনলৈ নাথাকে। মই সৰুকালত বৰ এলেহুৱাটো আছিলোঁ বুলিহে আজি মোৰ এই অৱস্থা। কাম-কাজ একো নকৰাত লৰ-চৰ কৰিব নোৱৰা অৱস্থা পাইছোঁহি। পিছে—এতিয়া দৰবো খাই আছোঁ, আৰু চিকিৎসকৰ উপদেশো শুনি আছোঁ। আগলৈ তোমাৰ গল্প শুনাৰ ফুৰছতেই নহ'ব মোৰ।"

"কিয় নহ'ব?" শিবুৱে সুধিলে।

সোমনাথে ক'লে, "এতিয়া মই ফুৰা-চকা একদম কৰিব নোৱাৰোঁ। এতিয়া মই মধুফলৰ ঢেঁকীটো হৈ আছোঁ। কিন্তু দৰব খাই দুৰ্বল হ'ম যেতিয়া—তেতিয়া বহু সময় ধৰি ঘূৰ-ফুৰা কৰিব লাগিব বুলি আৰু—মোৰেই বাগানৰ গছ-গছনিবোৰত পুৰা-গধূলি পানী সিঁচিবলৈ কৈছে। তেতিয়া—এনেবোৰ কাম কৰিলেহে হেনো মোৰ শৰীল-স্বাস্থ্য ঠিক থাকিব।"

শিবুৱে কৈ উঠিল, "কিন্তু পুৰা-গধূলি পানী সিঁচাৰ কাম পানীৰ দৰে সহজ কাম নহয় যে—সাৰোসাৰ জানিব।"

"শুনা, দুখ নকৰাতহে মই সুখৰ মুখ নেদেখা হৈ থাকিলোঁ, শৰীল-স্বাস্থ্য হেৰুৱাই এনেকৈ কষ্টৰো উপৰি কষ্টত থকাতফৈ—কষ্ট কৰি কাম-কাজত ধৰি শৰীল-স্বাস্থ্যক ভালে ৰখাটোহে ভাল।"

সোমনাথৰ কথা শুনি শিবুৱে তৎক্ষণাৎ নিজৰ ঘৰলৈ বুলি খোজ ল'লে। মধুফলৰ ঢেঁকী যে আচলতে কোন—সোমনাথনে সি নিজেই—সেই কথা ভাবি ভাবি আগলৈ যথেষ্ট শ্ৰম কৰি স্বাৱলম্বী হ'বলৈ শিবুৱে তাত মনত প্ৰতিজ্ঞা ল'লে।

মায়া মহল

৮

[আগৰ কথা : ৰাজকুঁৱৰী বিদ্যাৱতীক বিচাৰি মহেন্দ্ৰ ওলাল, গৈ গৈ গভীৰ অৰণ্যৰ ভিতৰ সোমাল। অৰণ্যৰ মাজত মহেন্দ্ৰনাথে সন্যাসী এগৰাকীক পালে। এইগৰাকী সন্যাসীয়ে তাক মন্ত্ৰঃপূত আঙঠি এটা দিলে আৰু তাৰ উদ্দেশ্য সাধিবলৈ আশীৰ্বাদো কৰিলে। পাছত মহেন্দ্ৰনাথে পাহাৰৰ সিপিঠত থকা বিৰাট এক অট্টালিকা দেখা পাই তালৈ গ'ল আৰু সেই অট্টালিকাৰ দ্বাৰপালৰ ওচৰত—ৰাতিটোৰ কাৰণে আশ্ৰয় ল'লে। আৰু তাৰ পাছত……]

নিজম ৰাতিৰ পৰতে মহেন্দ্ৰনাথৰ মনত বিধোবিধ চিন্তাৰ ঢৌ উঠিল। সি সন্যাসী প্ৰদত্ত সেই আঙঠিটো চুই চালে। এইদৰে প্ৰায় মাজনিশালৈকে সি ইকথা-সিকথা ভাবি থাকিল আৰু তাৰ পাছত এসময়ত শ্ৰান্ত-ক্লান্ত মহেন্দ্ৰই একো ক'ব নোৱৰা-কৈয়েই টোপনিত লাল-কাল হৈ পৰিল।

মহেন্দ্ৰই যেতিয়া সাৰ পালে, তেতিয়া দ্বাৰপালক তাত থিয় হৈ কথা দেখি সি শোৱাৰপৰা উঠি বহিল। দ্বাৰপালে তাক হাত-মুখ ধুই জা-জলপান খাবলৈ ক'লে। দ্বাৰপালে—তুখন কাঁহীত জলপান লৈ আহিছিল, মহেন্দ্ৰনাথেও খালে। যথেষ্ট পৰিমাণৰ আহাৰ খাই থাকোঁতে মহেন্দ্ৰই দ্বাৰপালক সুধিলে, "ৰাতি—তোমালোকৰ মালিক আহিছিল—নহয় জানো?"

হুৰবীয়ে আচৰিত হৈ সুধিলে, "কিন্তু—তুমিনো কেনেকৈ জানিলাহে!"

"ৰাতি—প্ৰায় মাজৰাতিলৈকেই মোৰ টোপনি নহা হ'ল। সেইহে—দুপৰ ৰাতি তুমি দুৱাৰৰ শিকলি খোলাৰ শব্দ, আৰু লগতে এক গমগমীয়া মাত শুনিছিলোঁ মই। যি কি নহওক—মই এতিয়া যাওঁহে। নহ'লে—মোৰ কাৰণে তোমাৰ অসুবিধা হ'ব পাৰে।"

"শুনা, আমাৰ মালিক—আহিল। কিন্তু তেওঁ এই ফাললৈ নাহে। গতিকে—তুমি মন গ'লে দুই-চাইদিন ইয়াত—মোৰ আশ্ৰয়ত—থাকিব পাৰা। পিছে—ওলোৱা-সোমোৱা নকৰা। তোমাৰ কাৰণে ইয়াতে কিবা চাকৰি-বাকৰি কৰি দিব পাৰোঁনেকি—মালিকক কৈ চাম।"

"ককাইদেউ, তোমাৰ এই সহায়ৰ কথা—ইয়াত চাকৰি-তাকৰি নহ'লেও মই মোৰ জীৱনতো নেপাহৰোঁ। কিন্তু চাবা—মোক সহায় কৰোঁতে তোমাৰ যাতে কোনো অনিষ্ট নহয়।"

"সেই কথা তুমি নাভাবিলেও হ'ব। তুমি ইয়াত শুই-বহি আৰাম কৰা।"

দুৰবীৰ শোৱাকোঠাত বহি বহি মহেন্দ্ৰনাথে খিৰিকীয়েদি সেই প্ৰকাণ্ড অট্টালিকাৰ সকলোতে চাকৰ-নাকৰহঁতৰ কৰ্ম-ব্যস্ততালৈ ভালকৈ লক্ষ্য কৰি থাকিল। কোনোবাই এটা কক্ষৰ বাহিৰফাল ধুই মচি নিকা কৰিছে, কোনোবা এটাই ফুলনিত কাম কৰিছে, কোনোবাজনীয়ে ফুল বুটলিছে, কোনোবাই অ'ত ত'ত থকা মূৰ্তিবোৰ চাফা কৰিছে, কোনোবাই জাবৰ-জোথৰবোৰ কঢ়িয়াই লৈ যাব ধৰিছে, কোনোবাই গছপুলিত পানী ছটিয়াইছে—কামৰ যেনিবা বিৰাম নাই।

হঠাৎ মহেন্দ্ৰৰ মূৰৰ ভিতৰত এটা চিন্তাৰ ঢৌ উঠিল: ময়ো যদি এই চাকৰ-চাকৰণীহঁতৰ লগত মিলি কাম কৰোঁগৈ—কেনে হয়? মোক মালিকে নতুনকৈ,

মকৰল কৰা বুলি ভাবিব ইহঁতে, বা হয়তো একোৱেই নাভাবিব। ইহঁত নিজৰ নিজৰ কামত যাক বোলে—মছগুল।

যেন ভবা তেন কাম—মহেন্দ্ৰনাথ তাৰ নাম। বছ, মূৰত গামোছাৰে পাগুৰীৰ দৰে বান্ধি লৈ মহেন্দ্ৰ তৎক্ষনাৎ কোঠাৰ বাহিৰলৈ ওলাই পৰিল।

চাকৰ-নাকৰহঁতৰ মাজেদি গৈ গৈ সি মস্ত ডাঙৰ কোঠা এটা পালেগৈ, আৰু সেই কোঠাটোৰ বিৰাট দুৱাৰ খোলা পাই ভিতৰলৈ সোমালগৈ। কোঠাটোৰ চাৰিওফালে দাপোণ আৰু দাপোণ। আনকি ঘৰৰ ভিতৰ-চালতো দাপোণেই দাপোণ।

কিন্তু তাত সি সৰহপৰ নৰ'ল। সি এহাতত জাক আৰু আন হাতত ঘৰমচা ফটাকানি লৈ আন এটা কক্ষলৈ সোমালগৈ। তাত তেতিয়া তিনিজন বৃদ্ধ পণ্ডিতে একেই প্ৰকাৰৰ নৰবস্ত্ৰ পিন্ধি তালপতীয়া পুঁথি অধ্যয়ন কৰি আছিল বা কিবা পৰীক্ষা-নিৰীক্ষা কৰি আছিল। তাত আন এজন বৃদ্ধও আছিল। সেই গণ্ডিৰ বৃদ্ধজনে কিছুখিনি খৰিকাঠ একমনে পৰীক্ষা কৰি আছিল। মহেন্দ্ৰ যেতিয়া সেই কক্ষৰ ভিতৰ সোমাল. তেতিয়া শেষোক্ত বৃদ্ধই প্ৰায় গুজৰি উঠিল. "কোন তুমি ? কি লাগে ইয়াত ?"

"মৃ—মৃই চাফাই কৰাৰ কাৰণে আহিছোঁ, মালিক। যদি কিবা অসুবিধা





পাইছে—মাফি মাঙিছোঁ, মালিক। পাছত চাফাই কৰিমহি।" এই বুলি কৈ কৈ দোঁখাই বৃদ্ধক প্ৰণাম কৰি মহেন্দ্ৰনাথে কোঠাৰ দুৱাৰলৈকে ভুমুকি গ'ল।

"এই কক্ষ চাফা কৰিব নালাগে এই কক্ষ যথেষ্ট চাফা হৈয়েই আছে। তুমি ইয়াৰপৰা যোৱা, আৰু—ইয়ালৈ—মানে এই কক্ষলৈ আৰু নাহিবা।"

তাৰপৰা ওলায়েই মহেন্দ্ৰনাথ পুনৰ দ্বাৰপালৰ শোৱাকোঠালৈ আহিল আৰু আগৰ দৰেই শুই থাকিল। অলপ পাছত দ্বাৰপাল তাত সোমালহি। দ্বাৰপালে মহেন্দ্ৰনাথক সুধিলে, "তুমি ভালকৈ জিৰণি ল'লানে?"

"ওঁ—।" মহেন্দ্ৰই চমুকৈ ক'লে।

দ্বাৰপালে মহেন্দ্ৰনাথলৈ চাই মুচুকৈ হাঁহি মাৰি ক'লে, "হেৰা মহিন্দৰ, তুমি সঁচাকৈ বৰ ভাইগ্যমানহে!"

মহেন্দ্ৰনাথে অবাক দৃষ্টি মেলি চালে দুৱৰীলৈ। দুৱৰী দুধনাথে তেতিয়াও মিচিক-মাচাককৈ হাঁহি আছিল।

দুৱৰীয়ে অৰ্থাৎ দ্বাৰপাল দুধনাথে মহেন্দ্ৰনাথক ক'লে, "এইবাৰ আমাৰ মালিক অকলে অহা নাই, তেওঁ তেওঁৰ লগত তিনিজন বুঢ়া মানুহকো লৈ আহিছে। এই বুঢ়াকেজন বোধকৰোঁ জ্যোতিষী। তোমাৰ কাৰণে কিবা এটা মই কৰিব পাৰিম যেন লাগিছে। অৱশ্যে—মালিকক এতিয়াই একো ক'ব নোৱাৰিম, তেওঁ বৰ ব্যস্ত হৈ থকা যেন লাগিল। তেওঁ যেতিয়া পায়চাৰি কৰিবলৈ ফুলনিলৈ আহিব—ঠিক তেতিয়া ক'ম তেওঁক।" এইখিনি কৈ শেষ কৰাৰ লগে লগেই দুধনাথৰ নাকৰ ঘোৰ্ঘোৰণিয়ে কোঠাটোক কঁপাই তুলিলে।

মহেন্দ্ৰনাথে বহাৰপৰা থিয় হৈ উঠি খিৰিকীয়েদি বাহিৰলৈ চালে। তেতিয়া বেলি মাৰ যাওঁ যাওঁ। মহেন্দ্ৰনাথে ডিঙিৰপৰা ভৰিলৈকে বৈ পৰা হলোচোলা

পিন্ধা দীঘলচুলীয়া কিন্তু চুটি দাড়ীয়া মানুহ এজনক ফুলনিলৈ গৈ থকা দেখা পাই বুজিলে যে—এৱেঁই নিশ্চয় তুধনাথহঁতৰ মালিক। মানুহজনৰ চকু-মুখ মহেন্দ্ৰই স্পষ্টকৈ দেখা নাপালে, যদিও এইজনৰ ধৰণ-ধাৰণ চলন-ফুৰণ আছিল ৰাজকীয় ধৰণৰ। মানুহজনে দুই-তিনিবাৰমান ভুৰুৱী তুধনাথৰ কোঠাৰ পিনে চাই পঠাইছিল। মহেন্দ্ৰনাথে তৎক্ষণাৎ তুধনাথক টোপনিৰপৰা জগালে আৰু ক'লে, "ককাইদেউ! তোমাৰ মালিকে তোমাক বিচাৰি থকা যেন পাইছোঁ। তেওঁ কিজানি তোমাৰ কাৰণেই ফুলনিত ৰৈ আছে—এইফালে চোৱাহি।"

দ্বাৰপাল তুধনাথে বিছনাৰপৰা জাঁপ মাৰি উঠি খিৰিকীয়েদি বাহিৰলৈ চায়েই কৈ উঠিল, "ওঁ—ওঁ, হয়। তেওঁ আমাৰ মালিকেই হয়। পিছে—তেওঁ তোমাক দেখিলেইনে কি?"

"নহয়, নাই দেখা। মই, এই কোঠাৰ বাহিৰলৈ ওলোৱা নাই।" মহেন্দ্ৰনাথে তুধনাথক আসস্ত কৰিলে।

তুধনাথে খৰখেদাকৈ মূৰত পাগুৰী বান্ধি ওলাল। ওলাই পোনে পোনেই ফুলনিলৈ গ'ল। আৰু গৈ—মালিকক কৰযুৰি প্ৰণাম কৰিলে। মালিক আৰু দ্বাৰপালৰ মাজত সামান্য সময় ধৰি মাত-বোল চলি থাকিল। মালিকে তেওঁৰ সোঁহাতখন দাঙি কিবা এটালৈ আঙুলিয়াই তুধনাথক কিবাকিবি কৈ থকা দেখিলে মহেন্দ্ৰনাথে। তাৰ পাছত মালিক তাৰপৰা গুচি গ'ল।

মালিকো গুচি গ'ল, তুধনাথো আকৌ মহেন্দ্ৰনাথৰ ওচৰলৈ আহিল। তুধনাথে মহেন্দ্ৰনাথক ক'লে, "তুমি বাস্তৱিকতে ভাগ্যমানহে চলি—। তোমাৰ কাৰণে খুছখবৰ লৈ আহিছোঁ। আমাৰ এই অট্টালিকাৰ সৌ সিফালেও এজন ভুৰুৱী আছে। কিন্তু সেইজনক বদল

কৰাৰ কথা মালিকে কিছুদিনৰ আগতে কৈছিল মোক। আজি—তোমাৰ কথা কোৱাত মালিকে মোৰ কথাৰ ওপৰত নির্ভৰ কৰি এককথাত ৰাজী হৈ গ'ল। এতিয়া কথা হ'ল—কামটো তুমি কৰিবানে নকৰিবা তুমি জানা। কামটো হ'ল—এই মোৰেই কাম—দুৱৰীৰ কাম। অট্টালিকাৰ পিছফালে আছে তিৰোতা-মহল। সেই তিৰোতা-মহলৰ দুৱৰীৰ কাম। —কৰিবানে কামটো?"

মহেন্দ্ৰনাথে মহা আনন্দৰে কৈ উঠিল, "মই এই এতিয়া এই মুহূর্তৰেপৰাই সেই কাম কৰিবলৈ সাজু।"

"তেনেহ'লে—আহঁা। মোৰ পিছে পিছে আহি থাকা।" এই বুলি কৈ দুধনাথে খোজ ল'লে, আৰু দুধনাথৰ পিছে পিছে মহেন্দ্ৰনাথে খোজ বঢ়ালে। গৈ গৈ সিহঁতে মাটিৰ তললৈ নামি যোৱা খটখটি পালেগৈ। তাত লে-ৰ শিকলিৰে বন্ধা প্ৰকাণ্ড দুৱাৰ এখনলৈ আঙুলিয়াই দুধনাথে ক'লে, "এইখিনিতে পৰ দি থাকিব। লাগিব। এয়া লোৱা—দুৱাৰৰ তলাৰ চাবি। কিন্তু দুৱাৰৰ তলা খুলিবলৈ বা এই দুৱাৰ খুলি বাহিৰত কি আছে—চাবলৈকো চেষ্টা নকৰিবা। তেতিয়া তোমাৰ কাৰণে ৰৈ থাকিব কেৱল—মৃত্যু। চাবি কেতিয়া কি কামত ব্যৱহাৰ কৰিব লাগিব—তোমাক পাছত কোৱা হ'ব। —মই কিছু সময়ৰ পাছত তোমাক ৰাতিৰ খানা দিহমি।" এই বুলি কৈয়েই দুধনাথ এন্ধাৰৰ বুকুত মিলাই গ'ল। তেতিয়া সাঁজ লাগি ভাগিছিল।

মহেন্দ্ৰনাথে অতি ক্ষীণ পোহৰৰ মাজত সেই প্ৰকাণ্ড দুৱাৰৰ আগত বহি ভাবি থাকিল: এই তিৰোতা-মহলতে ৰাজকুঁৱৰী বিদ্যাৱতীক আটক কৰি থোৱা হৈছেনে? যদি হৈছেও—মইনো কেনেকৈ তাৰ ভেদ পাম? [আগলৈ



আকৃতি চাই প্ৰকৃতি

মৰামুজা নামৰ গাঁৱত মল্লনাথ নামৰ এজন মস্ত পালোৱান আছিল। এই পালোৱান যেনেতেন নহয়, নামতো যি কামতো সি। মল্লনাথ আছিল কেতিয়াও কাৰো ওচৰত হাৰ নমনা হজ নলৰা মইবৰ পালোৱান।

মল্লনাথৰ ক্ষমতাৰ কথা নজনা কোনো নাছিল, গাঁৱৰ বুঢ়ায়ো জানিছিল, সেইহে—মল্লনাথে গাঁওবুঢ়াক কিবা কাম-বনৰ কথা ক'বলৈ পালেহে, গাঁওবুঢ়াই তাক গাঁৱৰ কাছাৰীৰ পৰীয়াৰ কামত তৎক্ষণে লগাই দিলে।

কিন্তু—মল্লনাথহেন শক্তিশালী পালোৱান পৰীয়া হিচাপে থকা সত্বেও এৰাতি কাছৰীৰ তলা ভাঙি কাছাৰীৰপৰা নানান বস্তু আৰু লগতে ধনও কিছুখিনি চুৰি হৈ গ'ল।

গাঁওবুঢ়াৰ উঠিল খং। গাঁওবুঢ়াই মল্লনাথক সুধিলে, "তুমি চোৰটোক পাক্‌ৰাও কৰিব নোৱাৰীলা যদি নাই—পিছে তাৰ লগত এহাত যুঁজিও নাচালা কিয়? কথানো কি?"

এই কথাৰ উত্তৰত মল্লনাথে ক'লে, "কথা হ'ল—পালোৱানী পেঁচ তথা বিক্ৰম দেখুৱাটো হ'ল এবিধ খেল। কিন্তু চোৰ ধৰাটো খেলও নহয়—ছলিৰ মেল কলৰ ভেলো নহয়। গতিকে—যি বিক্ৰম পালোৱানীত সম্ভৱ, সেই বিক্ৰম দাৰোৱানীত একেবাৰেই অসম্ভৱ।" এই বুলি কৈ মল্লনাথে তাৰ বিৰাট মোচত তাও দি থাকিল আৰু গাঁওবুঢ়াই বিৰাটদেহী মল্লনাথলৈ চাই ভেবা লাগি ভাবি থাকিল : কেৱল আকৃতি চাই প্ৰকৃতিৰ উমান লোৱাটো এক ডাঙৰ ভুল।

যোগ্য-ভোগ্য

আত্মপ্ৰতিজ্ঞাৰে অটল-ৰজা বিক্ৰমাদিত্যই মৃতদেহটো নমাই আনি কান্ধৰ ওপৰত পেলাই লৈ নিৰৱে-নিমাতে আঁউসীৰ নিমজ অন্ধকাৰৰ মাজেদি মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহত থকা বেতালে কৈ উঠিল, "হে ৰজা! তুমি কিবা ধৰণৰ দিব্যশক্তি লাভাৰ্থে এনে অভাৱিত শ্ৰম কৰিছানে কি—নাজানো। কিন্তু দুখ কৰিলে যে মুখ ভৰিবই—সেই কথা ন-দি ক'ব নোৱাৰি। শৌৰ্য্য প্ৰদৰ্শন কৰিলেই তাৰ পুৰস্কাৰ অলভ্যও হ'ব পাৰে। আচল কথা হ'ল—যোগ্য-ভোগ্যতা। মোৰ কথাৰ প্ৰমাণস্বৰূপে তোমাক আজি দীপ্তিবৰ্মা নামৰ ৰাজকোঁৱৰৰ কথা ক'ম। শুনি শুনি ৰাট বুলিলে কমেও তোমাৰ পথশ্ৰম কিঞ্চিত লাঘৱ হবা'।" বেতালে ক'বলৈ ধৰিলে ঃ

'বেতাল-কথা'



তেতিয়া বৈশালীৰ শাসনকৰ্তা আছিল মহাৰাজ বিলাসবৰ্মা। তেওঁৰ কোনো পুত্ৰসন্তান নাছিল, আছিল এজনী জীয়েক, জীয়েকজনীৰ নাম মৃণালিনী।

মহাৰাজ বিলাসবৰ্মাৰ প্ৰধান অংগ-ৰক্ষকৰ নাম আছিল জয়সিংহ। জয়সিংহ বয়সত যুৱক, সুদৰ্শন আৰু সুশিক্ষিত আছিল তাৰ আচাৰ-আচৰণ। নানান ধৰণৰ যুদ্ধবিদ্যাত তথা মল্লযুদ্ধতো এই জয়সিংহ আছিল পাৰদৰ্শী। বৈশালীত জয়সিংহক যিকোনো যুদ্ধতে পৰাজিত কৰিব পৰা কোনো নাছিল।

মহাৰাজে জয়সিংহক যথেষ্ট মৰম কৰিছিল আৰু তাৰ কথাত গৰ্বও বোধ কৰিছিল। কিন্তু ৰাজকুঁৱৰী মৃণালিনীৰ সৈতে জয়সিংহৰ গোপন প্ৰেমৰ খবৰ নাপাইছিল তেওঁ!

এদিন পাটলীপুত্ৰৰ ৰাজকোঁৱৰ দীপ্তিবৰ্মা বিভিন্ন ঠাই ভ্ৰমি ফুৰাৰ অন্তত বৈশালীলৈ আহিল। মহাৰাজ বিলাস-বৰ্মাদেৱে ৰাজকোঁৱৰ দীপ্তিবৰ্মালৈ সাদৰ অভ্যৰ্থনা জ্ঞাপন কৰিলে। ইমান সাদৰ অভ্যৰ্থনাৰ অন্তৰালত কিঞ্চিত কাৰণ নথকা নাছিল। মহাৰাজে দীপ্তিবৰ্মাক তেওঁৰ জোঁৱাৰেক হিচাপে পাবলৈ আশা পালি আছিল। তেওঁ স্বয়ং ৰাজকোঁৱৰ দীপ্তিবৰ্মাক অন্তেষপুৰলৈ লৈ গল। তাত ধকধকীয়া বগা বৰণৰ ঘোঁৰা এটা দেখা পাই ৰাজকোঁৱৰ দীপ্তিবৰ্মাই ক'লে, "এই ঘোঁৰাটোৰ পিঠিত উঠি মই অলপ ফুৰি আহোঁগৈ।"

মহাৰাজে লগে লগে কৈ উঠিল, "বোপা, এই অশ্বটো আমাৰ ইয়ালৈ অনাৰ আজি এসপ্তাহো হোৱা নাই। আৰু—ই এতিয়ালৈকো উদণ্ড হৈয়েই আছে। কেৱল—আমাৰ জয়সিংহইহে ইয়াক কথমপি সেও কৰিব পাৰিছে।"

জয়সিংহ তাতেই থিয় হৈ আছিল। জয়সিংহই ৰাজকোঁৱৰ দীপ্তিবৰ্মাক ক'লে,

"আপোনাৰ যদি ঘোঁৰাটোত উঠিবৰ বৰ মন গৈছে—মোকো লগত লৈ লওক।"

কিন্তু জয়সিংহৰ কথাত দীপ্তিবৰ্মাই খেয়াহে পালে। তেওঁ ককৰ্থনাৰ সুৰেৰে ক'লে, "অহ্! তুমিহে কেৱল পাকৈত ঘোঁৰাচোৰাবীটো ওলালানে?" এই বুলি কৈয়েই ৰাজকোঁৱৰ দীপ্তিবৰ্মাই জঁাপ মাৰি ঘোঁৰাটোৰ পিঠিত উঠি বহিল।

আৰু লগে লগে বিজুলীৰ গতিৰে সেই ঘোঁৰাটোৱে চেঁকুৰ ল'লে আৰু দীপ্তিবৰ্মাই একোপধ্যে এই অতি উদণ্ড ঘোঁৰাটোক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে আৰু শিলাময়-ঠাই এডোখৰত তাৰ পিঠিৰপৰা দীপ্তিবৰ্মাক বগৰাই পেলালে।

ৰাজকোঁৱৰৰ পিছে পিছে তেওঁৰ দেহৰক্ষীহঁতো গৈ আছিল। দেহৰক্ষীহঁতে ৰেয়াকৈ জখম হোৱা ৰাজকোঁৱৰক ৰাজপ্ৰাসাদলৈ লৈ গ'ল আৰু ৰাজবৈদ্যও তৎক্ষণাৎ আহিল।

কেইদিনমানৰ পাছত ৰাজকুঁৱৰী মৃণালিনীক তেওঁৰ লগত লৈ মহাৰাজ বিলাসবৰ্মাদেৱে দীপ্তিবৰ্মাক পুনৰ চাবলৈ গ'ল, যদিও তিমানতে ৰাজকোঁৱৰ যথেষ্ট সুস্থ হৈ উঠিছিল। তথাপি তেওঁ ভাগৰেখিনি নিশকতীয়া হৈয়েই আছিল।

মহাৰাজৰ লগত তেওঁৰ অংগৰক্ষক জয়সিংহক দেখা পাই ৰাজকোঁৱৰ দীপ্তিবৰ্মাই দপদপাই উঠি ক'লে, "জয়সিংহ, ইয়াত দেখোন তোমাৰ প্ৰশংসাতে সকলো পঞ্চমুখ। তুমি যদি সঁচাকৈয়েই বীৰ-বাহাদুৰ—তেনেহ'লে মোৰ বিৰুদ্ধে মল্লযুদ্ধ বা তৰোৱাল-যুদ্ধ কৰি তাৰ প্ৰমাণ দিয়া।"

কিন্তু দীপ্তিবৰ্মা তেতিয়াও যথেষ্ট দুৰ্বল যে—সেই কথা দেখদেখ। এনে অৱস্থাতো মল্লযুদ্ধ বা তৰৱাৰি-যুদ্ধ নৰিবনো কেনেকৈ? কিন্তু ৰাজকুঁৱৰী মৃণালিনীয়ে জয়সিংহক চকুৰ ইংগিতেৰে এই কথাত উৎসাহিত কৰিলে।

জয়সিংহই দীপ্তিবর্মালৈ চাই ক'লে, "ক্ষমা কৰিব, যুৱৰাজ! আপুনি নিশ্চয় অতি ডাঙৰ বীৰ। নহ'লে—পূর্ণ স্বাস্থ্য ঘূৰাই নোপাওঁতেই এনে অভিলাস—অসম্ভৱ। অৱশ্যে—মই এতিয়াই আপোনাৰ বিৰুদ্ধে অস্ত্রধাৰণ বা মল্লযুদ্ধ কৰিব নোৱাৰিম। মোক ক্ষমা কৰক।"

এই ঘটনাৰ কিছুদিনৰ পাছত মহাৰাজ বিলাসবর্মাদেউ এদিন চিকাৰলৈ ওলাল। লগত জয়সিংহকো ল'লে তেওঁ। চিকাৰৰ অন্বেষণ কৰি থাকোঁতে অকস্মাৎ জোপোহা এটাৰপৰা বিৰাট বাঘ এটা ওলাই মহাৰাজক আক্রমণ কৰিলে। মহাৰাজৰ লগত যোৱা সৈন্যবিলাকে বাঘৰ ভয়তে ফৰিং ছিটিকা দিলে। কিন্তু জয়সিংহ বাঘৰ ওপৰত জঁপিয়াই পৰিল। তাৰ পাছত বাঘে-মানুহে তয়াময়া চলি থাকিল আৰু উশাহ বন্ধ কৰি মহাৰাজে এই ভয়ানক যুঁজখনলৈ চাই থাকিল। বাঘটোৱে তাৰ হাতোৰাৰ নখেৰে আঁচুৰি জয়সিংহৰ দেহৰ অ'ত ত'ত ফালি-ছিৰি পেলালে। কিন্তু—শেহান্তৰত জয়সিংহৰ অভাৱিত বিক্রমত অতিষ্ঠ হৈ বাঘৰ পুৰাই পলাবলৈ চেষ্টা দিলে। যদিও জয়সিংহই শুদা হাতেৰেই সেই অতি বিৰাট বাঘটোক মাৰি পেলালে।

মহাৰাজে জয়সিংহৰ বিক্রমৰ শলাগ লোৱাৰ উপৰিও তাক বুকুত আঁকোৱালি ল'লে আৰু বাঘটোৰ কবলৰপৰা তেওঁৰ জীৱনৰক্ষাৰ বাবে অকুণ্ঠ কৃতজ্ঞতা জ্ঞাপন কৰি ক'লে, "জয়, তুমি মোক জীৱন দান কৰিলা, তোমাক যি লাগে কোৱা—মই তোমাক পুৰস্কৃত কৰি ধন্য মানিম।"

"হে অন্নদাতা! আপোনাৰ নগণ্য অংগৰক্ষক হিচাপে মই মোৰ কর্তব্য কৰিলোঁ মাথোন। গতিকে—আত্মীয়াকৈ কোনো ধৰণৰ পুৰস্কাৰৰ মই প্রত্যাশী নহও, মোক একো নালাগে। মহাৰাজ!"

জয়সিংহই অতি বিনম্রতাৰে এইখিনি

কথা মহাৰাজক ক'লে।

এই ঘটনাৰ দুমাহৰ পাছত বসন্ত-উৎসৱ পতা হ'ল। এই উৎসৱ উপলক্ষ্যে বিধোবিধ প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু পতা হয় ষাঁড়ৰ খেল—অতি ভয়ানক উদণ্ড ষাঁড়ৰ সৈতে মানুহৰ আচৰিত যুঁজ। এই খেলৰ অনুষ্ঠান চাবলৈ হিলদ'ল ভাঙি মানুহ আহে, আহে ৰাজ্যৰ ৰজা-মন্ত্ৰী-সেনাপতি প্ৰমুখ।

এইবাৰো তেওঁলোক আহিল। ষাঁড়-খেলৰ আৰম্ভণীতে ৰাজদৰবাৰৰ মুখ্য যুঁজাৰু এজন খেল-পথাৰলৈ অহাৰ লগে লগেই ক্ৰুদ্ধ ষাঁড়টোৱে যুঁজাৰুজনক আক্ৰমণ কৰিলে। সামান্য সময়ৰ পাছত ভমকাল ষাঁড়টোৱে তাৰ শিঙেৰে যুঁজাৰু-জনক দাঙিদৰ্শকৰ মাজলৈ ওফৰাই পঠালে।

তাৰ পাছত নগৰ-ৰক্ষক—কতোৱাল মাতগুকেতু ভমকাল জীয়াযমহেন ষাঁড়টোৰ আগত থিয় হ'লহি আৰু মাতগুকেতুৰ অৱস্থাও একেই হ'ল। ষাঁড়টোৱে হেলাৰঙে মাতগুকো মুহূৰ্ততে ওফৰাই পেলালে।

তাৰ পাছতো আন ভালেমান যুঁজাৰু আহিল। বহুতেই এনে ভয়ানক শিঙাল ষাঁড়ৰ উগ্ৰ ৰূপ দেখি ফেঁটীৰ মূৰ ছিঙা লৰ দি পলাল। কিছুমানক যেনিবা ষাঁড়ে নহয়—খালী ভগা জুয়েহে খেদিলে।

অৱশেষত মহাৰাজে তেওঁৰ অংগৰক্ষক জয়সিংহক ক'লে, "জয়, তুমি হ'লা এজন প্ৰকৃত বীৰ। শুদা-হাতেৰেই তুমি পৰাক্ৰান্ত ৰাঘ এটাক হেলাৰঙে বধিলা। ষাঁড় এটানো তোমাৰ আগত কি? যোৱা, খেল-পথাৰলৈ যোৱা।"

"মহাৰাজ! মোক ক্ষমা কৰক। মই এই ষাঁড়টোৰ বিৰুদ্ধে যুঁজাত অসমৰ্থ।" জয়সিংহই কাতৰ কণ্ঠেৰে ক'লে।

ঠিক তেতিয়াই এক অভাৱিত ঘটনা ঘটিল। মহাৰাজে ৰঙা ৰঙা চাদৰ এখন গাত ল'লে, আৰু বিজুলীৰ গতিৰে সেই ভয়াবহ ভমকাল ষাঁড়টোৱে মহাৰাজৰ

পিনে খেদা ল'লে। মহাৰাজৰ আৰু ৰাজকুঁৱৰী মৃণালিনীৰো মুখ শেঁতা পৰিল আৰু মৃণালিনী অচেতন হৈ বাগৰি পৰিল।

তেতিয়া—চকুৰ পচাৰ নৌ পৰোঁতেই জয়সিংহ উদণ্ড ষাঁড়টোৰ ওপৰলৈ বাঘ গৰাদি পৰিল আৰু ষাঁড়টোৰ প্ৰকাণ্ড শিং দুটাত ধৰি মাটিত থেকেচিলে। তথাপি ষাঁড়টো পুনৰ উঠি থিয় হ'ল আৰু বিকটভাবে হেম্বেলিয়াই জয়সিংহক ঘূৰাই আক্ৰমণ কৰিলে। কিন্তু জয়সিংহও আগৰেপৰাই সাজু হৈয়েই আছিল। বিদ্যুৎগতিৰে জয়সিংহই ষাঁড়টোৰ শিঙত পুনৰ ধৰি বাৰে বাৰে থেকেচি থকাত ষাঁড়টোৰ নাকৰ বিন্ধাইদি যেতিয়া ধাৰাসাৰ তেজ ওলাই থাকিল, তেতিয়াহে—ষাঁড়টো লাহে লাহে নিস্তেজ হৈ পৰিল।

দৰ্শক-ৰাইজৰ কাৰণে এই দৃশ্য-আছিল ভয়ানক হৃদয়বিদাৰী দৃশ্য। ষাঁড়টো নিস্তেজ হৈ পৰাত দৰ্শক-ৰাইজ জয়সিংহৰ নামত জয়ধ্বনি কৰি উঠিল।

বহু সময়ৰ উদ্দাম আনন্দৰ কোলাহলও স্তিমিত হ'ল। তেতিয়া ধীৰ খোজেৰে জয়সিংহ মহাৰাজৰ কাষ চাপিল আৰু মহাৰাজক নমস্কাৰ কৰিলে।

মহাৰাজে জয়সিংহক ক'লে, "জয়! ইয়াৰ আগতেও তুমি মোৰ প্ৰাণৰক্ষা কৰিছিলা, এইবাৰো মোক জীয়াত যমৰপৰা ৰক্ষা কৰিলা। তোমাৰ ঋণ মই কেনেকৈ যে পৰিশোধ কৰিম—কথাটো প্ৰকৃততে ক'ব নোৱাৰোঁ—"

ক্ষন্তেকমান ৰৈ মহাৰাজে পুনৰ কৈ থাকিল, "জয়! তোমাক—কেৱল অংগৰক্ষক—হিচাপে নহয়, পুত্ৰৰূপে তোমাক পালেহে মই ভাল পাম। মই আমাৰ মৰমৰ ৰাইজৰ আগত এই ঘোষণা কৰিছোঁ যে—আমাৰ জয়সিংহৰ সৈতে মই মোৰ একমাত্ৰ সন্তান মৃণালিনীৰ যোৰা পাতি দিম। —এই কথাত, জয়, তোমাৰ কিবা আপত্তি আছেনে?"

জয়সিংহই তলমূৰ হৈ ক'লে, "আপুনি যদি মোক এই উদাৰ প্ৰস্তাৰৰ যোগ্য বুলি ভাবে, আৰু ৰাজকুঁৱৰীৰো যদি কিবা আপত্তি নাই—তেনেহ'লে আপোনাৰ প্ৰস্তাৰ শিৰোধাৰ্য্য।" অতি বিনম্ৰতাৰে কথাখিনি জয়সিংহই ক'লে।

ৰাজকুঁৱৰী-মৃণালিনীয়েও তলমূৰ হৈ তেওঁৰ সন্মতি জ্ঞাপন কৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! ৰাজকুঁৱৰী মৃণালিনীৰ কাৰণে—ৰাজকোঁৱৰ দীপ্তিবৰ্মা জয়সিংহহেন এক অংগৰক্ষকতকৈ সহস্ৰগুণে যোগ্য পাত্ৰ আছিল যে—সেই কথাত নিশ্চয় কোনো সন্দেহ নাই। যিকোনো ফালৰেপৰাই ৰাজপুত্ৰ দীপ্তিবৰ্মা জয়সিংহৰ তুলনাত সহস্ৰগুণে শ্ৰেষ্ঠ। অশ্বটোক অতি উদণ্ড বুলি জানিও ৰাজকোঁৱৰ দীপ্তিবৰ্মাই অপাৰ সাহসৰে সেই অশ্বটোৰ পিঠিত উঠিছিলগৈ! তাৰ পাছত—অসুস্থ অৱস্থাতো জয়সিংহক যুঁজিবলৈ আহ্বান কৰিছিল। গতিকে—ৰাজকোঁৱৰ দীপ্তিবৰ্মা যে জয়সিংহৰ তুলনাত অধিকতকৈয়ো অধিক শৌৰ্য্য-সম্পন্ন সেই কথা ধ্ৰুৱ সত্য। আৰু—যুঁজলৈ আহ্বান কৰা সত্বেও জয়সিংহই ৰাজকোঁৱৰৰ সৈতে যুঁজিবলৈ যে মান্তি হোৱা নাছিল—সেই কথাটোও মন কৰিব লগীয়া। আৰু যদি বাঘৰ সৈতে বাঘ-বুকুৱা হৈ যুঁজাৰ কথা কোৱা—তেনেহ'লে জয়সিংহই মহাৰাজ বিলাস-বৰ্মাদেৱক ৰক্ষা কৰাতকৈ নিজক বাঘৰ কবলৰপৰা ৰক্ষা কৰিবলৈ প্ৰাণৰ মমতা এৰি যুঁজিছিল বুলিও কোৱাৰ থল ওলায়। উদণ্ড ষাঁড়ৰ কথাতো কথা একেই। প্ৰথমতে—ভয়ৰ কোবত জয়ে যুঁজিবলৈ অস্বীকাৰেই কৰিছিল। পাছত যেতিয়া ষাঁড়টো খেদি আহিল—তেতিয়া এক-প্ৰকাৰে বাধ্যত পৰিয়েই যুঁজ দিবলগাত পৰিছিল। জয়সিংহ কোনো বীৰ নাছিল।

আচলতে সি আছিল এক ভাগ্যশালী। মহাৰাজে তাক জমাই কৰাৰ কথা কৈ সি পাব নোৱাৰা বস্তুকো পালে। মই এইবোৰ জটিল কথাৰ মাথামুণ্ড বুজি নাপাইহে তোমাৰপৰা উত্তৰ বিচাৰিছোঁ। মোৰ প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া তেনেহ'লে তোমাৰ মূৰ ফাটি যে চাৰিফাল হ'ব—সেই কথা ধ্ৰুৱ বুলি জানি থোৱা।"

তেতিয়া বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "গভীৰভাৱে ভাবি চালে ৰাজকোঁৱৰ দীপ্তিবৰ্মাৰ মাজত কোনো ধৰণৰ ৰাজকীয় দূৰদৰ্শিতা বা বিচাৰ-বিবেচনা কোনো পৰিলক্ষিত নহয়। ৰাজোচিত গাম্ভীৰ্য্যও তেওঁৰ মাজত নাই। তেওঁৰ মাজত কেৱল ঈৰ্ষা আৰু হিংসাৰ প্ৰকাশহে প্ৰকাশিত। জয়সিংহৰ প্ৰশংসা শুনি ৰাজকোঁৱৰ দীপ্তিবৰ্মাৰ গাত জুই জ্বলিছিল। দ্বন্দ্বযুদ্ধলৈ দীপ্তিবৰ্মাই জয়সিংহক যে আহ্বান কৰিছিল—সেই আহ্বান যে জনা-বুজা ভণ্ডামি আছিল—সেই কথা নুবুজা কোনো নোলাব। জিকিলে জিকিম—নিজিকিলে অসুস্থতাৰ দোহাই দিম—এয়ে আছিল দীপ্তিবৰ্মাৰ অৱস্থা। ইয়াক প্ৰকৃত প্ৰত্যাহ্বান বুলি কোনেও নক'ব। যেই কোনো ফালৰে-পৰাই সঠিক বিচাৰ কৰি চালে ৰাজকোঁৱৰ দীপ্তিবৰ্মাক ৰাজকুঁৱৰী মৃণালিনীৰ যোগ্য পাত্ৰ বুলি ভাবিবই নোৱাৰি। আনহাতে —অংগৰক্ষক হ'লেও জয়সিংহ আছিল সকলোফালৰেপৰাই যোগ্য। গতিকে—ৰাজকুঁৱৰীয়ে যে যোগ্য ভোগ্য পাত্ৰ পাইছিল—সেই কথাত সন্দেহৰ থল একেবাৰেই নাই।

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৰে পুনৰ সেই গছলৈ উড়ি গ'ল আৰু শ'টো সেই আওপুৰণি গছজোপাৰ প্ৰকাণ্ড ডালত পুনৰ ওলোমাই দিলে। [কল্পিত

চান্দমামা ক্রোড়পত্র-৪৯

ভাৰতৰ পশু-পক্ষীঃ

হুপ, হুপ, হুপ্‌পো

পুৰাণত কথিত আছে ঃ ৰজা ছুলেমানে উড়ন্ত সিংহাসনত উঠি আকাশপথেদি গৈ থাকোঁতে তেওঁক শগুণবিলাকে ছায়া দিবলৈ অস্বীকাৰ কৰিছিল বুলি শগুণৰ ডিঙিত নোম নাথাকক বুলি ৰজাই অভিশাপ দিছিল। তেতিয়া 'হুপো' পক্ষীয়ে সিহঁতৰ ডেউকাৰে ৰজাক ছায়া দিছিল আৰু ৰজাই চোকাৰো চোকা ৰ'দৰ তাপৰপৰা ৰক্ষা পৰিছিল। ৰজাই হুপোইতক বৰ দিব খোজাত হুপোইঁতে সিহঁতৰ মূৰত সোণৰ জঁ খুজিছিল। পাছত মূৰত এই সোণৰ জঁ থকাত সিহঁতক ব্যাধবিলাকে চিকাৰ কৰাত ৰজাই তেওঁৰ বৰদান বদল কৰি সাধাৰণ জঁ দিলে আৰু তেতিয়াহে হুপোইঁতে কথমপি ৰক্ষা পৰিল।

হুপো চৰাইৰ বিশেষত্ব হ'ল সিহঁতৰ এই ধুনীয়াৰো ধুনীয়া জঁ। হুপোক ভাৰতৰ উপুপিদে' নামৰ পক্ষী-পৰিয়ালৰ একমাত্ৰ বংশধৰ বুলি গণ্য কৰা হয়। এই চৰাইৰ পিঠি, পুচ্ছ (ফিচা) আৰু ডেউকাতো জেব্ৰাৰ দৰে বগা-বগা দাগ থাকে। দীঘলে এফুটীয়া হুপোৰ বৰণ পাতল হালধীয়া-বিধৰ। যেতিয়া খাদ্য বিচাৰি মাটিলৈ নামি আহে, আহাৰ ধৰি খায়, তেতিয়া ইয়াৰ অপূৰ্ব জঁ অপৰূপ হৈ উঠে আৰু এই জঁ বিচনীৰ দৰে মেলি দিয়ে। এই চৰাইৰ ৰাজকীয় ভাব-ভংগী মন কৰিবলগীয়া। ইয়াৰ ঠোঁট অতি দীঘল আৰু অতি পাতল। এই চৰায়ে 'হু—পো' 'হু--পো—পো' বুলি মাতে। এই মাতৰপৰাই ইয়াৰ নাম 'হুপো' হ'ল বুলি অনুমান কৰা হয়।

দেৱালৰ বিন্ধাত, ঘৰৰ চালৰ ছিদ্ৰত, গছৰ খোৰোঙত হুপোই আটোমটোকাৰীকৈ বাহ সাজে। হুপোইতক 'কৃষকবন্ধু' বুলি কোৱা হয়, কিয়নো—এই পক্ষীবিলাকে কৃষকৰ অশেষ উপকাৰ সাধে।

সাহিত্যৰ দৰ্পণত আজিৰ ভাৰত

[সুপ্ৰাচীনকালৰ ভাৰতীয় সাহিত্যসৃষ্টিৰ সম্পৰ্কে আমি অল্প-বিস্তৰ প্ৰত্যেকেই হয়তো নানা উপায়েৰে জানিছোঁ, কিন্তু ভাৰতৰ আধুনিক সাহিত্যসৃষ্টিৰ সম্পৰ্কে আমাৰ জ্ঞান অতি সীমিত। সেইদেখি 'চান্দমামা'ই এই পৃষ্ঠাত ভাৰতবৰ্ষৰ বিভিন্ন ভাষাত সৃষ্ট হোৱা সাহিত্যৰ সংক্ষিপ্ততম পৰিচয় প্ৰদান কৰিব। এই সংক্ষিপ্ত পৰিচয়েই আমাৰ পাঠক-পাঠিকাইতৰ মাজত সাহিত্য-সৃষ্টিৰ পৰিপূৰ্ণ ৰূপ জানিবলৈ আগ্ৰহ-আকৰ্ষণ সৃষ্টি কৰিব—এই বিশ্বাসেৰেই আমি এই পাতত এই কাৰ্য্যত ব্ৰতী হৈছোঁ।]

পৰ্‌জা ঃ পৰ্বতীয়া শিশুহঁতৰ কাহিনী

উৰিষ্যাৰ কোৰাপুট জিলাত মাইলৰ পিছত মাইল জোৰা অৰণ্য আৰু পাহাৰৰ সমদল। ইয়াৰে মাজত সৰু সৰু গাঁও। এইবোৰ অঞ্চলত পৰ্‌জা, গোঁড় আদি পৰ্বতীয়া উপজাতিৰ বসবাস। এওঁলোকৰ সৰলতাৰ সুযোগ লৈ কিছুমান 'সভ্য' মানুহে লুট-পাত কৰি খায়।

ছুকুৰ জানী হ'ল এজন দুখীয়াৰো দুখীয়া পৰ্‌জা মানুহ। ছুকুৰৰ পৰিবাৰক এদিন বাঘে নিলে। মান্দিয়া আৰু তিকৰা হ'ল ছুকুৰৰ দুটা ল'ৰা আৰু জিলী-বিলী হ'ল দুজনী ছোৱালী।

এবাৰ কিবা কাৰণত সেই গাঁৱলৈ অহা চৰকাৰী বিষয়া এজনৰ ছুকুৰৰ ওপৰত উগ্ৰ খং উঠিল আৰু বিষয়া-প্ৰভুৰ খং মাৰ নিয়াবৰ কাৰণে ছুকুৰে তেওঁক ঘোচ দিবলগাত পৰিল। কিন্তু ঘোচ দিব পৰা পইচা পায় ক'ত? গতিকে—এক সুতখোৰ মহাজনৰ কাষ চাপিব লগিয়া হ'ল। মহাজনে টকা দিলে, কিন্তু ছুকুৰে সেইটকা জীৱনতো পৰিশোধ নকৰালৈকে তাৰ সৰু ল'ৰাটোৰে মহাজনৰ তাত গেবাৰী খাটিব লাগিব—এই চৰ্তত। এইদৰে, ধাৰলৈ লোৱা টকা মানুহো নথকা নহয়। এই অমানৱীয় শ্ৰমকাৰ্য্য তথা গেবাৰীক তাত 'গোটী' বুলি কোৱা হয়।

ছুকুৰৰ ডাঙৰ ল'ৰা মান্দিয়াটো চুলাই তৈয়াৰ কৰোঁতে ধৰা পৰিল আৰু তাৰ ফলত সিও চৰকাৰী



বিষয়াক ঘোচ-ঘাচলি দিবলগীয়া হ'ল। টকা পাব ক'ত? ক'ব লাগিছেনে আৰু? সেই সুতখোৰ মহাজনৰ তাত আৰু মহাজনৰপৰা টকা ধাৰলৈ লৈ কুকুয়া চৰকাৰী বিষয়াৰ হাতৰপৰা পৰিলগৈ মহাজনৰূপী পঞ্চমুখীয়াৰ কবলত, গেবাৰী খটাৰ চৰ্তত।

তেতিয়া ছুকুৰৰ ছোৱালী দুজনীয়ে শিলভঙাৰ কাম কৰি থাকিল। কিন্তু এইদৰে কাম কৰি যে সুদখোৰ মহাজনৰ এই 'ৰটা জীৱনকালতো শুজিব নোৱাৰি— ছুকুৰে গমিলে। তেতিয়া নিজৰ মাটিখিনি মহাজনৰ ওচৰত বন্ধক হিচাপে দি, তিনিও গেবাৰী খটাৰপৰা কথমপি মুক্ত বুলি ভাবিলে।

ছুকুৰে তাৰ ছোৱালী দুজনীক ঘৰতে ৰাখিব পাৰিলে, কিন্তু সিহঁত তিমানতে কিঞ্চিত স্বাধীন হৈ উঠিছিল। সুতখোৰ মহাজনটো যেতিয়া সিহঁতৰ গাঁৱলৈ আহে—তেতিয়া জিলীয়ে মনে মনে মহাজনৰ লৈতে ইহা-মতা কৰে। কিছুদিনৰ অন্তত মহাজনে জিলীক তাৰ ঘৰলৈ লৈ গ'ল। ছুকুৰ আৰু তাৰ ল'ৰা দুজন লাজতে মৰোঁ যেন হ'ল।

ছুকুৰৰ ল'ৰা দুটাই দিনে-নিশাই হাড়ভঙা শ্ৰম কৰি মহাজনৰ টকাখিনি কথমপি গোটালে, কিন্তু তিমানতে মহাজনে সিহঁতৰ সেই মাটিত 'নাৰঙী' নামৰ টেঙাৰ খেতি কৰিছিল। গতিকে—টকা শোধাই দিলেও সি মহাজনে মাটিখিনি ঘূৰাই নিদিব বুলি কোৱাত ছুকুৰ গ'ল কোৰাপুটৰ আদালতলৈ। বিচাৰৰ বাবে প্ৰাৰ্থনা জনোৱাত—মহামান্য আদালতে বিচাৰৰ দিন ধাৰ্য্য কৰি দিলে। কিন্তু সুতখোৰ মহাজনৰপৰা ঘোচ খাই আদালতৰ পেহকাৰে ছুকুৰক ভুল তাৰিখ এটাৰ কথা কৈ দিলে আৰু বিচাৰৰ প্ৰকৃত তাৰিখৰে দিনা ছুকুৰ আদালতত উপস্থিত নোহোৱাৰ অজুহাতত বিচাৰকেও একপক্ষীয় ভাবে সুতখোৰ মহাজনৰ পক্ষে ৰায় দিলে।

তেতিয়া পিতা-পুত্ৰ দুয়ো সুতখোৰ মহাজনৰ কাষ চাপিল আৰু সিহঁতৰ একমাত্ৰ মাটিখিনি ওভোতাই দিবলৈ করুণ আবেদন জনালে। কিন্তু এই অবেদন ব্যৰ্থ হ'ল আৰু লগতে ছুকুৰৰ সৰু ছোৱালীজনীকো ডাঙৰজনীৰ দৰে লৈ আহিব বুলি মহাজনে হুমিয়ালে। আৰু লগে লগে ছুকুৰে তাৰ কুঠাৰেৰে ঘপিয়াই মহাজনৰ মূৰটো মাটিলৈ বগৰাই দিলে।

তাৰ পাছত সুতখোৰ মহাজনৰ কটা মূৰ হাতত লৈ সিহঁত থানালৈ গ'ল আৰু আত্মসমৰ্পণ কৰি ক'লে, "ইয়াক মই কাটিলোঁ, মোক কি কৰে কৰক।"

এই দৃশ্য দেখি গোঁফাল-নেজাল থানাৰ দাৰোগা ছাহাবো আতংকত শেঁতা পৰিল।

ওড়িয়া ভাষাৰ মহান সাহিত্যিক গোপীনাথ মহান্তি (১৯১৪-১৯৯২) ওপৰোক্ত উপন্যাসৰ ৰচক। গোপীনাথ হ'ল ওড়িয়া লেখকসকলৰ মাজত আকাদামি আৰু জ্ঞানপীঠ-বঁটা বিজয়ী অগ্ৰগণ্য সাহিত্যিক।

আমি জানো নে?

১. ইন্দ্ৰগিৰি আৰু চন্দ্ৰগিৰি পৰ্বতৰ মাজত থকা মন্দিৰ-নগৰীৰ নাম কি?
২. পাৰস্যদেশ কোনে স্থাপন কৰিছিল?
৩. ১৯৯০ চনৰ ১ নভেমবাৰৰ দিনা ঘটা উল্লেখযোগ্য ঘটনা কি?
৪. চীনদেশ-বিজয়ী মোংগল সম্ৰাট কোন আছিল?
৫. বাংলাদেশ কোন চনত সৃষ্টি হৈছিল?
৬. 'সতীযোৰা' প্ৰথাৰ বিৰোধিতা কৰা ব্যক্তিগৰাকী আৰু ব্ৰাহ্মসমাজ'ৰ সংস্থাপক কোন আছিল?
৭. এই বছৰৰ ১২ অক্টো'বাৰৰ দিনা কোন ঐতিহাসিক উৎসৱ পালন কৰা হৈছিল?
৮. 'মোপলা' বুলিলে কি বুজা যায়?
৯. ইউ. এছ. এ. (আমেৰিকা)ৰ ৰাষ্ট্ৰীয় পক্ষী কি?
১০. ভাৰতীয় পুৰাণশাস্ত্ৰত ভৰিৰ আঙঠিৰ সৈতে থকা বাণৰ আঘাতেৰে এগৰাকী পুৰাণ-পুৰুষৰ মৃত্যু হৈছিল। তেওঁ কোন আছিল?
১১. ৰঙৰ আধাৰেৰে চাৰি সমুদ্ৰৰ নামকৰণ কৰা হৈছিল। কি কি?
১২. পৃথিৱীৰ আটাইতকৈ দীৰ্ঘ ৰেলআলি ক'ত অৱস্থিত?
১৩. দুবাৰকৈ ন'বেলবঁটা বিজয়ী মহিলা কোন?
১৪. 'বাই ফোকাল লেন্স'ৰ আবিষ্কাৰক কোন?
১৫. ইউনেস্কোদ্বাৰা প্ৰায়োজিত অন্তঃৰাষ্ট্ৰীয় নগৰখনৰ নাম কি? সেই নগৰখন ক'ত অৱস্থিত?

উত্তৰ

১. শ্ৰাৱণবেলগোল, কৰ্নাটকত অৱস্থিত।
২. ছায়ৰাছ দি গ্ৰেট—খৃষ্টপূৰ্ব ৫০০ আৰু ৪০০ মাজত।
৩. পূৰ্ব আৰু পশ্চিম জাৰ্মানিৰ মাজত থকা প্ৰাচীৰ এইদিনা ভাঙি পেলাই উভয় জাৰ্মানিৰ একীকৰণ হৈছিল।
৪. কুব্‌লাই খান।
৫. ১৯৭১ চনৰ ডিছেম্বৰ।
৬. ৰাজা ৰামমোহন ৰায়।
৭. ক্ৰিস্টাফাৰ কোলম্বাছৰ আমেৰিকা আৱিষ্কাৰৰ ৫০০ তম বছৰৰ উৎসৱ।
৮. কেৰলৰ মালাবাৰ অঞ্চলৰ মুছলমানসকলক।
৯. আমেৰিকাৰ বগামূৰীয়া গৰুড়পক্ষী।
১০. শ্ৰীকৃষ্ণ।
১১. শ্বেত, কৃষ্ণ, ৰঙা আৰু পীত-সাগৰ।
১২. মস্কোৰপ'ৰা ভ্লাডিভোস্তকলৈকে বিয়পা ৫৮৬৪ মাইল দীঘলীয়া ট্ৰান্স ছাইবেৰিয়ান ৰেলআলি।
১৩. মাৰী ক্যুৰি।
১৪. বেঞ্জামিন ফ্ৰাংকলিন।
১৫. অৰোভিলে. পণ্ডিচেৰিত।



ভূতকৈয়ো লেতেৰা

সুনীতাজনীক লগত লৈ প্ৰীতিনগৰ নামৰ চহৰখনৰ চুকে-কোণে সুন্দৰে ভাড়ালৈ ঘৰ এটা বিচাৰি থাকিল। কিন্তু একেৰাহে কেইদিনমান ধৰি বিচাৰিও ঘৰ নাপালে যেতিয়া—তেতিয়া ঘৈণীয়েক সুনীতাক সুন্দৰে গাঁৱৰ ঘৰতে থৈ আহিব বুলি ভাবিলে। কিন্তু ঠিক এনেতে—চহৰৰ উপকণ্ঠত এটা ডাঙৰ ঘৰ তলাবন্ধ হৈ থকা দেখি ৰৈ দিলে সুন্দৰে।

আক-তাক সোধ-পোছ কৰি সুন্দৰে জানিব পাৰিলে যে এই ঘৰটো আছিল ধনপতি নামৰ এজন বেপাৰীৰ ঘৰ। কিন্তু ঘৰটো কিনি লোৱাৰ কিছুদিনৰ পাছত এক বিৰাট নাও-দুৰ্ঘটনাৰ কবলত পৰি পা-পৰিয়ালে ধনপতিৰ মৃত্যু হ'ল।

মৃত্যু হ'ল—কিন্তু মৃত্যুৰ পাছতো ধনাপতিয়ে এই ঘৰৰ মায়া এৰিব পৰা নহ'ল হেনো। ধনপতি ভূত হৈ অদ্যাপি এইটো ঘৰতে আছে। ঘৰটোত হেনো ধনপতিয়ে দিনে-নিশাই আহা-যোৱা কৰে। কোনোৱা সোমালে ঘৰৰপৰা খেদি দিয়ে।

কোনোৱা-কুনুবিয়ে হেনো ইয়াত—এই ঘৰটোত থকা-মেলাৰ চেষ্টা কৰিছিল কেতিয়াবা কেতিয়াবা, কিন্তু ধনপতিৰ ভূতে সেই পাহুৰাল-সাহিয়ালহঁতক তৰা-ধুনা দি খেদিছিল।

এই কথা শুনি সুন্দৰে তাৰ ঘৈণীযেক সুনীতাক ক'ল, "মোৰ — ভূত-প্ৰেতৰ নাম শুনিলেও ভয়ত ভূত-জাৰ লাগে—হাড়লৈকে ঠিৰঠিৰকৈ কঁপে। ব'লা—আম যাৱেঁইগৈ ইয়াৰপৰা, ইয়াত ৰৈ থকাৰ

'শিৱশম্ভু'

কোনো মানে নাই। ভূতৰ ঘৰত ভগৱন্তই থাকিব পাৰে, অমি হ'লে একোপধ্যেই থাকিব নোৱাৰিম।"

সুনীতাই কৈ উঠিল, "কেলেইনো নোৱাৰিম? পাৰিম তো—। কথাতে বোলে—ভূত মোৰ পুত, প্ৰেতিনী মোৰ জী—ৰাম-লক্ষ্মণ লগত আছে কৰিবিনো কি? ভূত-প্ৰেতৰ কথাত মোৰ হ'লে বিশ্বাসেই নাই। আৰু—ধৰি ল'লোঁ ভূত-প্ৰেত আছেই যেনিবা, কিন্তু সেইবোৰক কেলেইনো ভয়-ডৰ কৰিম? ভুত কিবা মানুহতকৈও বুদ্ধিমাননে? ঠিক আছে, ভূত আছেই যদি—মই চম্ভালিম বাৰু।"

সুন্দৰে প্ৰতিবাদ কৰিলে, তাইক বুজালে, বুজনি দিলেঃ বহা পোৱা যাবই।—কিন্তু তাই সুনীতাই কোনো বুজ-বুজনি নামানে। তাই কয়ঃ এনেকৈ বিনা ভাড়াত ক'তেনো ঘৰ পোৱা যাব? ঘৰটো দেখাতো ভাল। গতিকে—এইটো ঘৰেই হওক আমাৰ ঘৰ।

সেই ঠাইৰ ওচৰ-পাঁজৰৰ মানুহ-খিনিয়েও ক'লে যে—এই ঘৰৰ তলা ভাঙিলেও কোনেও হাক নিদিয়ে। গতিকে—সুন্দৰৰো আৰু কোনো উপায় নাথাকিল। পাছদিনাই তলা খুলি ঢেংকুৰুচ ঢেংকুৰচকৈ উঠা বুকুৰে সেই এৰা-ঘৰটোতে সোমালগৈ।

সোমাই—ঘৰৰ ভিতৰফালৰ অৱস্থা চাই দুয়ো অবাক। কি কথা! ঘৰ-দুৱাৰবোৰ চাফা যে চাফা—ঘৰৰ মজিয়াও ফু মাৰি ভাত খাব পৰাকৈ চাফা! ঘৰৰ সকলো বয়-বস্তু চিজিল লগোৱাকৈ আছে। পালেঙৰ ওপৰত আছে পৰিপাটি বিছনা। বিছনাত ধুনীয়াৰো ধুনীয়া ফুলাম চাদৰ পাৰি থোৱা আছে!

এইবোৰ-এনেবোৰ চাই — সুন্দৰে ভয়তে ধাৰৰ নল কঁপা দিলে আৰু ক'লে, "ইয়াত—এই ঘৰত ধনপতিৰ ভূত জৰুৰ আছে। নহ'লে কোনেনো বয়-বস্তুবোৰ

এনেকৈ চিজিল লেগাই থয়? কোনোনা এই ঘৰ এনেকৈ চাফা কৰে?"

এই প্ৰশ্ন কৰাৰ লগে লগেই ধনপতিৰ ভূতে বায়ৱীয় মূৰ্তি ধৰি কৈ উঠিল, "মই। মই ধনপতিয়েই চাফা-তাফা কৰোঁ। এই ঘৰ মোৰ। গতিকে—চাফা মই নকৰিলে আৰু কোনেনো কৰিব? তোমালোকে যদি ইয়াত—এই ঘৰত থাকিবা বুলি আহিছা — কুছ পৰোৱা নাই, থাকিব পাৰিবা। কিন্তু ঘৰটো সদায় চাফা ৰাখিব লাগিব। নহ'লে—তোমালোককো তৰা-ধুনা দি খেদিম যে—মনত ৰাখিবা।"

চকুৰ আগত ভূতক দেখা পাই সুন্দৰৰ তেতিয়া কামৰি কঢ়া অৱস্থা। কিন্তু সুনীতাই ধনপতিৰ ভূতৰ পিঠিত লাহেকৈ থপৰিয়াই ক'লে, "ঠিক আছে, তুমি কোৱামতেই কাম হ'ব। তুমি কোনটো কোঠাত থাকা মোক দেখুৱাই দিয়া।"

ধনপতিৰ ভূতে সি থকা কোঠালৈ আঙুলিয়ালে। আৰু এই কথা সোঁৱৰাই দিলে যে—সেইটো কোঠা সিহঁতে দখল কৰাৰ চেষ্টা দিয়ে যদি—কথা বেয়া হ'ব। ক'লে যে—তাৰ কথা নুশুনিলে-নামানিলে কথা বেয়াতকৈও বেয়া হ'ব জীয়াতুভুঞ্জিব।

কিন্তু সুনীতাজনীয়ে তথাপি—কেৱল পিছৰফালেই নহয়, ঘৰৰ সকলোতে জাবৰ-জোথৰ দ'মাবলৈ ধৰিলে। আৰু তাৰ ফলত—চাওঁতে চাওঁতে গোটেই ঘৰটোতে বেয়া বেয়া গেলা গেলা গোন্ধ বিয়পি পৰিল।

এদিন সুন্দৰেও সুনীতাক ক'লে, "এই কাম কৰি তুমি ঠিক কাম কৰা নাই। ধনপতিৰ ভূতে আমাক এই বিষয়ে প্ৰথম দিনাই সাৱধান কৰিছিল। তাৰ কথালৈ আওকাণ কৰিলে সি এদিন আমাক নিশ্চয় মাৰি পেলাব। অনুগ্ৰহ কৰি ঘৰটো আগৰ দৰে চাফা কৰা।"

সুনীতাই বাহানা কৰি ক'লে, "কি কৰিম কোৱা—সকৰেপৰাই কাম-কাজলৈ

মোৰ বৰ ডৰ। চাওঁ—এতিয়া যদি বাধ্যত পৰি হ'লে শিকি ল'ব পাৰোঁ—ভালেই হ'ব—শাপেই হ'ব বৰ।"

কিন্তু সুনীতাই তাইৰ এই জাবৰ-জোথৰ দ'মোৰাৰ অভ্যাস নেৰিলে। এদিনৰ কাৰণেও নেৰিলে। আৰু--

আৰু এদিন ধনপতিৰ ভূতে সুনীতাৰ পালেঙৰ এমূৰত বহিলে আৰু চিঞৰি চিঞৰি ক'লে, "শুনা, ইমান দুৰ্গন্ধ মই আৰু এদিনলৈকো বৰ্দাস্ত্ নকৰোঁ। হয় চাফা কৰা, নহ'লে ইয়াৰপৰা ফুটা।"

কিন্তু ভূতৰ কথাত সুনীতা অলপো বিচলিত নহ'ল। তাই ধনপতিৰ ভূতটোক ঠেলা মাৰি পালেঙৰপৰা বগৰাই দিলে আৰু বাঢ়নীৰে তাক কোবাবালৈ ল'লে। তেতিয়া ধনপতিৰ ভূতটোৱে সাউৎকৰে আঁতৰি গৈ ক'লে, "ঠিক আছে, মই এনে গেলা গোন্ধ সহিব নোৱাৰি ঘৰ এৰি জংগললৈ গুচি গ'লোঁ। হয়তো কোনোবা গছত বাহ লৈ গছোৱা ভূত হৈ থাকিমগৈ। কিন্তু তোমাৰ এই লেতেৰা অভ্যাসৰ ফলত—চাবা, এদিন তোমাৰ গিৰিয়েৰায়ো চাগৈ ভূতৰ দৰে ঘৰ এৰি ক'ৰবালৈ গুচি যাবগৈ। — মানুহ যদি ভূততকৈয়ো লেতেৰা হয়—তেনেহ'লে মানুহবিলাক মানুহ গুচি ভূত হওক। ঘৰটো তোমালোকক মই উপহাৰ হিচাপে দিলোঁ। কিন্তু দোহাই— কমেও ঘৰটো চাফ-চিকুণকৈ ৰাখিবলৈ শিকা।" এই বুলি কৈ—ধনপতিৰ ভূতটো চকুৰ পচাৰতে ঘৰ এৰি খিৰকীয়েদি নোহোৱা হৈ গ'ল।

গধূলি পৰতে সুন্দৰ ঘৰলৈ আহিল। আহিয়েই সি থমকি ৰ'ল। বহু দিনৰ অন্তত ঘৰটো ইমান যে চাফ-চিকুণ লাগি গৈছে! আৰু—কেতিয়া যে সুনীতাজনীও তাত থিয় হৈছিলহি—সুন্দৰে দেখাই নাছিল। দেখা পায়েই সুন্দৰে সুনীতাজনীক বুকুৰ ভিতৰত সুমুৱাই ল'লে।

আপোনাৰ সূতাৰে

এদিন পুৱে ধলফাট দিওঁতে-নৌদিওঁতেই মহেশ নামৰ ব্যক্তি এগৰাকীয়ে ক'ৰবালৈ যাবলৈ গুমাই খোজ লৈছিল। মহেশক দেখাত পণ্ডিত ব্যক্তিযেনেই লাগিছিল। সদানন্দই মাত লগালে, "অ' মহেশ ডাঙৰীয়া—ৰ'বচোন, অলপমান ৰ'ব।"

মাত শুনি মহেশ ৰ'ল। মহেশে তাৰেপৰাই সুধিলে, "কি কথানো? জলদিকৈ কওক। বৰ জৰুৰী কামলৈ ওলাইছোঁ।"

"বৰ গুৰুতৰ কিবা নহয়। সেই শিৱদ'লৰ ওচৰত থকা চন্দন মানুহজন কেনেকুৱা কবনে?" সদানন্দই সুধিলে।

শুনি মহেশৰ ভ্ৰুকুযুৰি কোঁচ খাই পৰিল। তাৰ পাছত তেওঁ ক'লে, "কথানো কি—?"

"কথা হ'ল—চন্দনে মোৰপৰা কিছুখিনি টকা ধাৰলৈ খুজিছে। এইখন গাঁৱত মই নতুন মানুহ। গতিকে—আপোনাক সুধিছোঁ আৰু—।" সদানন্দই মুখত পিঠা ভৰাই কোৱাদি ক'লে।

অলপমান ভাবি লৈ মহেশে সদানন্দক ক'লে, "চন্দন—কথাত ৰৈ থকাবিধৰ মানুহ নহয়। তাৰ দায়িত্ববোধও বৰ কম। তাক টকা ধাৰলৈ দিয়াৰ অৰ্থ হ'ব টোপনি-খতি।" এই বুলি কৈয়েই মহেশে আকৌ গুমাই খোজ ল'লে।

বানপানীৰ কবলত পৰি সদানন্দই তেওঁৰ ঘৰ-দুৱাৰ হেৰুৱাইছিল আৰু সেইহে চৰকাৰৰপৰা শকত পৰিমাণৰ ধনৰ মোনা এটি ক্ষতিপূৰণ হিচাপে পাইছিল। সেই টকাৰে আগৰ ঘৰৰ

'নকীৱ'

তুলনাত বহুগুণে ভাল ঘৰ সাজিছিল। তাৰ পাছতো ভালেখিনিমান টকা তেওঁৰ হাতত আছিল আৰু সেই টকাৰেই তেওঁ সুতৰ কাৰবাৰ আৰম্ভ কৰিছিল।

কথামতে দুটা দিনৰ পাছত চন্দন সদানন্দৰ কাষ চাপিল। সদানন্দই ইতিমধ্যে চন্দনৰ কথা থিখিনি জানিব পৰা হৈছিল, তাৰে তাক টকা ধাৰলৈ নিদিব বুলি মনস্থিৰ কৰিছিল।

সদানন্দই এতিয়া তাক টকা দিব নোৱাৰিব বুলি শুনি চন্দনে ক'লে, "কি কয় ডাঙৰীয়া! মোৰ অসুখীয়া পৰিবাৰক সুস্থ কৰি তোলাৰ কাৰণে গাঁৱৰ কবিৰাজে চহৰলৈ লৈ যাবলৈ কৈছে—চহৰৰ ডাঙৰ ভালৰো ভাল চিকিৎসকক দেখুৱাব লাগিব। মই যে কিমান এক কথাৰ মানুহ, গাঁৱৰ ৰাইজক সুধিলেই গম পাব। আপুনি মোক বিমুখ নকৰক। ঠিক এমাহৰ অন্তত মই টকাখিনি ঘূৰাই দিমেই—।"

চন্দনৰ এনে কাবৌ-কোকালিয়ে গুণ দিলে। সদানন্দ কিছু কুমলিল। তেওঁ চন্দনক লাহে কৈ ক'লে, "বাৰু, কালিলৈ আহিবাচোন—চাওঁ কি কৰিব পাৰোঁ।"

চন্দন গুচি গ'ল, আৰু সদানন্দও ঘৰৰপৰা ওলাই গ'ল। গ'ল—সেই শিৱদ'ললৈ। শিৱদ'লৰ পূজাৰী বামুণ মানুহজন তেতিয়াও তাতেই আছিল। সদানন্দই পূজাৰী বামুণৰ ওচৰত তেওঁৰ



সমস্যাৰ কথা ক'লে আৰু চন্দনৰ বিষয়ে তেওঁৰ মতামত বিচাৰিলে। সদানন্দই আকৌ ক'লে, "মহেশ পণ্ডিতে কিন্তু চন্দনক দায়িত্বহীন মানুহ বুলি ক'লে।"

পূজাৰীয়ে সদানন্দলৈ একেথিৰে চাই থাকি ক'লে, "আনৰ চকুৰে দেখিলে অন্ধ, আপোনাৰ সূতাৰে আপুনি বন্ধ—এয়ে সাৰোসাৰ সদানন্দ।" এই বুলি কৈয়েই পূজাৰী বামুণজনে তৎক্ষণাৎ খোজ ল'লে।

সদানন্দই এইবাৰ কিছু ফাপৰত পৰা যেন হ'ল। এতিয়া তেওঁৰ প্ৰায় এৰিবও নোৱৰা বেৰিবও নোৱৰা অৱস্থা। কি কৰে আৰু কি নকৰে যে—!

পাছদিনা ধলপুৱাতে চন্দন আহিল। সদানন্দই বিনা বাক্যব্যয়ে চন্দনক দিবলগা টকাখিনি দিলে।

তাৰ পাছত তিনি-চাৰি মাহ পাৰ হ'ল, কিন্তু চন্দন ধাৰ-উধাৰ পৰিশোধ কৰাৰ কাষেদিও নগ'ল। আৰু বৈ বৈ আৰু বৈ থাকিব নোৱাৰি—এদিন স্বয়ং সদানন্দ চন্দনৰ ঘৰলৈ গ'ল।

সদানন্দক দেখি চন্দন অলপো বিচলিত বা লজ্জিতো নহ'ল। চন্দনে সদানন্দক ক'লে, "তোমাৰ পয়ছাখিনি নিদিয়াকৈ নাথাকোঁ। দিম। পিছে—সময় বোলা কথা এটা আছে। সময় হ'লেই খবৰ পঠাম, লৈ যাবাহি—বছ।"

তাৰ পাছতো দুমাহমান পাৰ হ'ল।



কিন্তু চন্দনে টকা পৰিশোধ কৰাৰ নামকে নল'লে। আনকি বাটে পথে ক'ৰবাত দেখাদেখি হোৱা হ'লেও চন্দনে সদানন্দক নেদেখাৰ ভাও জুৰি গুচি গৈছিল।

এনেতে এদিন পূজাৰী বামুণক ক'লে সদানন্দই চন্দনৰ গোটেইখিনি কথা। তাৰ পাছত তেওঁ পূজাৰীক ক'লে, "আপোনাৰ কথা শুনিহে মই আপোনাৰ সূতাৰে আপুনি বন্ধ হ'লোঁ।"

"তাৰ মানে—?" পূজাৰীয়ে সুধিলে।

"আনৰ চকুৰে দেখিলে অন্ধ—আপেনাৰ সূতাৰে আপুনি বন্ধ—বুলি আপুনিয়েই কোৱা নাছিলনে?"

সদানন্দৰ কথা শুনি পূজাৰীয়ে হাঁহি মাৰি ক'লে, "মই যি কথা কৈছিলোঁ—তাৰ অৰ্থ আপুনি সঠিককৈ ঠাৱৰ কৰিব পৰা নাছিল বুলিহে এই বিপত্তি। মোৰ বক্তব্য আছিল এয়েযে—মহেশেই কওক বা ময়েই কওঁ—নিজৰ চকুৰে নিজে বাট বুলিব নাজানিলে নিজৰ চাৰিপুৰা বাৰ বান্দৰে খাব। আনৰ কথা বানৰ সমান, কেতিয়া কি হয় কাক বুৰায়—নাই তাৰ তাইন।—বুজিলেনে ডাঙৰীয়া?"

পূজাৰী বামুণ এজনৰ কথাৰো যে ইমান গূঢ়াৰ্থ থাকিব পাৰে—সদানন্দই একেবাৰেই ভাবিব পৰা নাছিল। কিন্তু এতিয়া পূজাৰীৰ সিদিনাৰ কথাৰ ৰহস্য ভেদ কৰিব পাৰি সদানন্দ বিমূঢ় যেন হৈ পৰিল। নিজৰ নেওঠনীত নিজেই তেল দিব নাজানিলে যে নিজৰ বঢ়া ভাত আনে কাঢ়ি খাব পাৰে—এতিয়াহে সদানন্দৰ লাওখোলাত সেইটি কথা সোমাল। পকা আমৰ যেলিকা কুঁজা মহা ওলায়, কিন্তু বিমোৰত পৰিলে কোনে কালৈ ফিৰি চায়? যি কি নহওক—সদানন্দ তাৰপৰা ঘৰলৈ উভতি আহি চন্দনহেন মানুহক কেনেকৈ চান্দি-বান্দি ধৰিব পৰা যায় ভাবি ভাবি তাৰ ভু বিচাৰি থাকিল।

বীৰ হনুমান

৩০

মহাৰাজ ৰাৱণে লংকাযজ্ঞ পতাৰ সঠিক সম্বাদ বিভীষণে পালে আৰু তৎপৰ শ্ৰীৰামচন্দ্ৰক আৰু লগতে বানৰ বীৰসকলকো উদ্দেশি ক'লে, "মহাৰাজ ৰাৱণৰ এই লংকাযজ্ঞ যদি সফল হয়, তেনেহ'লে সেই যজ্ঞাগ্নিৰপৰা লৌহদেহী আৰু চতুৰংগী সেনা ওলাব, আৰু তেতিয়া মহাৰাজ ৰাৱণক ত্ৰিজগতৰ দেৱ-নৰ গন্ধৰ্বাদি কোনেও বধ কৰা দূৰৰে কথা—পৰাজিতো কৰিব নোৱাৰিব। গতিকে—মহাপ্ৰতাপী মহাৰাজ ৰাৱণকৃত লংকাযজ্ঞ যেনেতেনে ভংগ কৰিব লাগে "

কিন্তু এই কাৰ্য্য কৰা কেনেকৈ যে সম্ভৱ হ'ব—সেই কথাতহে সমস্যাৰ সৃষ্টি হ'ল। শুনি জাম্বৱন্তই ক'লে, "আমাৰ অংগদ হ'ল অদৃশ্যবিদ্যাত সুপটু। তাৰ সহায় লৈ যজ্ঞভংগ কৰিব পৰা যাব বুলি মোৰ ধাৰণা।"

অদৃশ্য হৈ অংগদ ৰাৱণকৃত লংকা-যজ্ঞথলীলৈ গ'ল, অদৃশ্য হৈ থাকি সকলো নিৰীক্ষণ কৰিলে, আৰু তাৰ পাছত ৰাৱণ মহাৰাজৰ অন্তেষপুৰলৈ গৈ তাৰপৰা মন্দোদৰীৰ চুলিকোচাত ধৰি মন্দোদৰীক টানি-আঁজুৰি যজ্ঞস্থলীলৈ লৈ আহিল। কিন্তু এইবোৰ কথা-কাণ্ড চায়ো ৰাৱণ যজ্ঞস্থল এৰি দণ্ডায়মান নহ'ল। তেতিয়া অংগদে মন্দোদৰীক টানি টানি আন কোনোবা ঠাইলৈ লৈ গৈ থাকিল।

'ৰম-লক্ষ্মণৰ অপহৰণ'

নামত কৃপা ভিক্ষা কৰিমনে? ৰামে মোকো বধিব পাৰিব বুলিহে তুমি ভীত হৈ তেনেকৈ বলকিছা। তুচ্ছ নৰ ৰামৰ হাতত মৰণতকৈ মই বৰঞ্চ প্ৰয়োপবেশন কৰি আত্মঘাতী হ'ম। তেতিয়া—মোক বধ কৰি বিভীষণক লংকাৰ সিংহাসনত অধিষ্ঠিত কৰাৰ যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল বিভীষণক, সেই প্ৰতিশ্ৰুতি সি ৰামে আৰু ৰক্ষা কৰিব নোৱাৰিব আৰু মোক স্বহস্তে বধি সীতাক উদ্ধাৰ কৰিব বুলি যি দম্ভ কৰিছিল—সেই দম্ভও নিটিকিব। মই আত্মঘাতী হোৱাৰ পাছত তোমালোকেও নিশ্চয় সহমৰণলৈ ওলাই মোৰেই চিতাজুইত প্ৰাণ বিসৰ্জিবা—তেতিয়া সীতাকো মোৰ চিতাজুইলৈ ঠেলি পেলাই দিবা। তাৰ পাছত—সীতাৰ শোকত বলিয়া হৈ ৰাম নামৰ মানুহৰ পোৱালিটোৱে নিশ্চয় আত্মহত্যাকে কৰিব।"

"ত্ৰিলোকবিজয়ীৰ পত্নীক ৰক্ষাকাৰী লংকাপুৰীত আৰু কোনোবা নাইনে?" মন্দোদৰীয়ে—চিৎকাৰ কৰি পতি ৰাৱণক কৈ থাকিল, "আপুনি এতিয়াও ৰামচন্দ্ৰৰ সৈতে সন্ধি কৰক, লংকাত এতিয়ালৈকো কথমপি জীয়াই থকাখিনিক জী থাকিবলৈ দিয়ক, হে প্ৰভু!"

মহাৰাজ ৰাৱণৰ সেই দিন আৰু নাই। তেওঁ দুশ্চিন্তিত তথা আত্মগতভাবে কৈ থাকিল:

"মোৰ যিমান যি মিত্ৰ-বন্ধু আছিল, ভাই-ভাগী আছিল সকলোকে হেৰুৱাই এতিয়া ৰাম নামৰ সামান্য নৰৰপৰা সন্ধিৰ

এই বুলি কোৱাৰ অন্তত মতিচ্ছন্নৰ দৰে ৰাৱণ মহাৰাজ অট্টহাঁহিৰে গগন কঁপাই তুলি একমনে পোনে পোনে পশ্চিমদিশলৈ বুলি লাহেকৈ খোজ ল'লে।

*

লংকাপুৰীৰ অৱস্থা-যেতিয়া এনেকুৱা, তেতিয়া লংকাৰপৰা সহস্ৰ যোজন দূৰৈত,

ধৰিত্ৰীৰ একেবাৰে তলত—অৰ্থাৎ পাতালত থকা 'পাতাল-লংকা' ৰাজ্যত অন্য এক ঘটনা ঘটি আছিল :

'পাতাল-লংকা'ৰ ৰজা আছিল মহীৰাৱণ। মহীৰাৱণ আছিল মন্ত্ৰশক্তিৰে শক্তিমান। যাদু-টোনা আদিত এই ধূৰ্তৰো ধূৰ্ত ৰজা মহীৰাৱণৰ সমকক্ষ তেতিয়াৰ কালৰ ত্ৰিলোকত আন কোনো নাছিল। মহীৰাৱণৰ জ্যেষ্ঠভ্ৰাতা আছিল কিছু ধীৰ-স্থিৰ অহিৰাৱণ।

মহীৰাৱণে নাগলোকৰপৰা বাসুকীৰ জীয়েক চন্দ্ৰসেনাক জাদু-টোনা প্ৰয়োগ কৰি অপহৰণ কৰি আনিছিল বিয়া কৰাবৰ মনেৰে। চন্দ্ৰসেনা আছিল অপৰূপা! অপূৰ্ব ৰূপৱতী। চন্দ্ৰসেনাই তাইৰ অন্তৰত শ্ৰীৰামচন্দ্ৰকে পতিৰূপে বৰণ কৰিছিল। সীতা-স্বয়ম্বৰৰ কালত নাগকন্যাৰ সৈতে তালৈ গৈ ৰামচন্দ্ৰক দেখি অপূৰ্ব ৰূপৱতী যুৱতী চন্দ্ৰসেন চন্দ্ৰসেনাই অতি মোহিত হৈ পৰিছিল।

*

মহাৰাজ ৰাৱণে গৈ গৈ লংকাৰ পশ্চিম তট পালেগৈ। তাত তেওঁ তেতিয়াই প্ৰয়োপবেশনৰ বাবে সাৰ্বিক প্ৰস্তুতি ল'লে।

আৰু ঠিক তেনে সময়ত নাৰদমুনি সেই ফালেদি গৈ আছিল। নাৰদমুনিয়ে ৰাৱণমহাৰাজক ক'লে, "আৰে! এয়ানো তুমি কি কৰিছা, ৰাৱণ? তোমাৰ ভাতৃসম মহীৰাৱণক তুমি বিস্মৃত হ'লানে?" তাত আৰু ক্ষন্তেকমানো নৰৈ তৎক্ষণাৎ তাৰপৰা এই কথা কৈয়েই নাৰদ গুচি গ'ল।

মহীৰাৱণৰ কথা শুনামাত্ৰেই হতাশা-গ্ৰস্ত ৰাৱণে পুনৰ বল-শক্তি ঘূৰাই পোৱা হ'ল। তেওঁ তৎক্ষণাৎ তেওঁৰ চকু মুদি মহীৰাৱণক সুঁৱৰিলে।

ঠিক তেতিয়াই সেই পাতালৰাজ্যত ৰজা মহীৰাৱণে চন্দ্ৰসেনাক কৈ আছিল "তোমাৰ পৈয়েক ৰামক মই কালী

গোসাঁনীৰ আগত উছৰ্গা কৰিম আৰু তাক যূপকাষ্ঠত কালীৰ আগত বলি দিম।"

"বৰঞ্চ তেন্তেঁই তোমাক বধিব বুলি মই বিশ্বাস কৰোঁ।" চন্দ্ৰসেনাই পাতাল-ৰাজ মহীৰাৱণক কঠোৰভাবে ক'লে।

"মোক—?" ৰজা মহীৰাৱণে বিদ্ৰূপৰ হাঁহি মাৰি ক'লে, "এইখন পাতাল-লংকাৰপৰাও সহস্ৰ যোজন তলত এক ভয়ানক অন্ধকাৰ গুহাৰ ভিতৰত থকা ৰত্ন পেটিকাত আছে পঞ্চভৈৰব। সেই পঞ্চভৈৰবক ৰত্নপেটিকাৰপৰা উলিয়াই আনি কোনোবাই যদি একেঘাপে কাটি পেলাব পাৰে, তেতিয়াহে মোৰ মৃত্যু হ'ব, নচেৎ—মোৰ মৃত্যু নাই। আন কোনো উপায়েৰেই কোনেও মোক বধিব নোৱাৰিব। বধ কৰা কৰা তো দূৰৰে কথা—মোৰ নোম এডালিও পোনাব—ছিঙিব নোৱাৰিব। আৰু সেই গুহাৰ ভিতৰলৈ কোনো সোমাবও নোৱাৰিব, কিয়নো তাত আছে ভয়ংকৰ পিশাচৰ সদাজাগ্ৰত পহৰা।"

ঠিক সেই মুহূৰ্ততে মহাৰাজ ৰাৱণে সোঁৱৰাত মহীৰাৱণ তৎক্ষণাৎ লংকেশ্বৰ ৰাৱণৰ সন্মুখলৈ উপস্থিত হ'লগৈ।

মহাৰাজ ৰাৱণে পাতালৰাজ মহী-ৰাৱণক ৰাম-লক্ষ্মণৰ কথা কোৱাত মহীৰাৱণে ক'লে, "মোক যি লাগে—তোমাকো তাকেই লাগে। চাবা মই কালিলৈ ৰাম-লক্ষ্মণ দুয়োটাকে কালী গোসাঁনীৰ আগত একেলগে বলি দিম।"

*

গুপ্তচৰৰ মুখে ৰাৱণ—মহীৰাৱণৰ কথোপকথনৰ আভাস পাই বিভীষণে সেই কথাখিনি বানৰ বীৰসকলক বুজাই ক'লেগৈ। তেওঁ আৰু ক'লে, "সতৰ্ক হৈ থাকিবা, চাবা, মহীৰাৱণে ৰাম-লক্ষ্মণক অপহৰণো কৰিব পাৰে। গতিকে—সদা-সৰ্বক্ষণ অতন্দ্ৰ পহৰা দি থাকিবা।"

তাৰ পাছত বিভীষণে হনুমানক

ক'লেহি যে—ৰাম-লক্ষ্মণৰ বাহুত এতিয়াই ৰক্ষাবন্ধন বান্ধিব লাগিব। তেতিয়া হনুমানে তেওঁৰ নেজডাল অলপ কোঁচাই বিভীষণক ৰাম-লক্ষ্মণ থকা ঠাইলৈ সোমাবলৈ দিলে।



ৰক্ষাবন্ধন ৰাম-লক্ষ্মণৰ বাহুত বান্ধি দিয়াৰ পাছত বিভীষণে হনুমানক পুনৰ ক'লেহি, "চাবা হনুমান—সেই ধূৰ্তৰো ধূৰ্ত্ত মায়াবী—মহীৰাৱণে মোৰ ৰূপ ধৰি, বা আমাৰ মাজৰ আন কাৰোবাৰ ৰূপ ধৰি ওলাবহি পাৰে। সাৱধান হৈ থাকিবা।" তাৰ পাছত বিভীষণ গুচি গ'ল।

অলপ পাছতেই বিভীষণ পুনৰ তালৈ আহিল। এইবাৰ হনুমানে বিভীষণৰ ডিঙিত খাপ মাৰি ধৰি ক'লে, "মহীৰাৱণ, তোমাৰ এই ছদ্মবেশৰ চালাকি এতিয়া মোৰ ওচৰত নচলিছে।"

বিভীষণে কৈ উঠিল, "তাৰ মানে—হ'ব লগা সৰ্বনাশ বোধ কৰোঁ হৈয়েই গ'ল। ৰাম-লক্ষ্মণ ভিতৰত আছেনে নাই চোৱাচোন, হনুমান!"

হনুমানে পূৰ্ণ দৃষ্টি মেলি দেখিলে—ৰাম-লক্ষ্মণ তাত নাই!

বিভীষণে আৰু অযথা সময় নষ্ট নকৰি হনুমানক ক'লে, "হনুমান! ৰাম-লক্ষ্মণক মহীৰাৱণৰ কবলৰপৰা ৰক্ষা কৰাৰ শকতি—তুমি বিনে জগতত আন কাৰো নাই। গতিকে—তুমি এতিয়াই পাতাল-লংকালৈ যোৱা। শীঘ্ৰে যোৱা।"

মহীৰাৱণে বিভীষণৰ ৰূপ ধৰিয়েই হনুমানৰ কটকটীয়া পহৰা ভেদ কৰি ৰাম-লক্ষ্মণ থকা ঠাইলৈ সোমাবগৈ পাৰিছিল, আৰু ৰাম-লক্ষ্মণক মন্ত্ৰশক্তিৰে দুটা পিতলৰ পুতলালৈ ৰূপান্তৰিত কৰি অপহৰণ কৰি লৈ গৈছিল—আৰু যাওঁতে—বিভীষণৰ বা আন কাৰোবাৰ ৰূপ ধৰি—মহীৰাৱণেই 'মহীৰাৱণ ওলাবহি পাৰে' বুলি হনুমানক সাৱধান কৰি গৈছিল। এইদৰে ধূৰ্ত মহীৰাৱণে ৰাম-লক্ষ্মণক বন্দী

কৰি পাতাললৈ লৈ গৈছিল।

গৈ গৈ হনুমানে পাতাল-লংকা পালেগৈ। তেতিয়া পাতাল-লংকাৰ প্ৰবেশ দ্বাৰত এক বলশালী যুৱক পৰ দি ৰৈ আছিল। এই যুৱকক দেখামাত্ৰেই—কিয় কোৱা নাযায়—হনুমানৰ মন-প্ৰাণত মৰম লাগি গ'ল। তাক বুকুৰ আপোন বুলি বোধ হ'ল হনুমানৰ।

হনুমানে তেতিয়া অতি ক্ষুদ্ৰ ৰূপ ধৰি আছিল। দ্বাৰপাল এই যুৱকে হনুমানক সুধিলে, "তুমিনো কোন? মোৰ দৃষ্টিক ফাঁকি দি তুমি এই গুহাৰ ভিতৰলৈ যাব খুজিছা যদি—তোমাৰ মৰণ সুনিশ্চিত বুলি জানিবা। "এই বুলি কৈয়েই যুৱকে হনুমানলৈ ভুকুৱাবলৈ ধৰিলে।

যুৱকৰ পৰাক্ৰমলৈ চাই হনুমানে তৰ্ধ মানিলে। হনুমানে ভাবি থাকিল: এই যুৱক যেয়েই নহওক, মোৰ বিৰুদ্ধে যুঁজাৰ হিম্মত আছে তাৰ। যি কি নহওক —তাক যেনেকৈয়েই নহওক প্ৰতাৰিত কৰিহে তাক খতম্ কৰি মোৰ কাম হাছিল কৰিব লাগিব।" এই কথা ভাবি, হনুমানে যুৱকৰ ভুকু খাই বৰকৈ ভাগৰি পৰাৰ ভাও জুৰি তাত ধুপুচ্‌কৈ বহি দিলে।

তেতিয়া দুৰ্বৰী যুৱাই ভাবিলে যে—শত্ৰু পৰাজিত হ'ল। সি ভাগৰি পৰা হনুমানক হাঁহি মাৰি ক'লে, "হাৰে মায়াৱী! মই যে হনুমান পুত্ৰ মৎস্যবল্লভ —সেই কথা জানানে নাজানা?"

শুনি হনুমান যুগপৎ বিস্মিত আৰু ক্ৰুদ্ধ হ'ল। হনুমানে দাঁত কৰচি যুৱকক ক'লে, "হাৰে মাছুৱৈ! হনুমান যে আজন্ম ব্ৰহ্মচাৰী—তাকো তই বাৰু নাজাননে? তেনে'হলেনো—হনুমান তোমাৰ পিতৃ হ'ব কেনেকৈ? এনেকুৱা গোকাট মিছা কোৱাৰ কাৰণে তোমাক বধ কৰাহে উচিত হ'ব দেখিছোঁ।" এই বুলি কৈয়েই হনুমান অতি বলশালী সেই দুৰ্বৰী যুৱকৰ ওপৰলৈ বাঘৰ দৰে জঁপিয়াই পৰিল।

এক নাৰীকণ্ঠৰ চিঞৰ উঠিল, "হে স্বামী! তাক নামাৰিব। দয়া আপোনাৰ কৰি ক্ৰোধ সংযত কৰক প্ৰভু!"

এক অপূৰ্ব সৌন্দৰ্য্যৱতী দৌৰি দৌৰি আহি হনুমানৰ ওচৰলৈ আহি ৰৈ দিলে আৰু তাৰ পাছত হনুমানক ক'লে, "হে প্ৰভু! এই ল'ৰাটিয়ে যি কথা কৈছে—সকলো অতি সত্য কথা। মোৰ নাম স্বুবৰ্চ্চলাদেৱী। দক্ষিণ সমুদ্ৰ হ'ল মোৰ পিতৃদেৱ। মই সংখ্যাতীত জলচৰ প্ৰাণীৰ ৰাণী। মই আপোনাক বিলক্ষণ চিনি পাওঁ, কিন্তু মোক আপুনি চিনি নাপায়। এবাৰ আপুনি সমুদ্ৰ অতিক্ৰমি যাওঁতে সিংহিকাৰ বিৰুদ্ধে যুঁজিছিল। ভালেমান পৰলৈ যুঁজি থকাৰ পাছত আপুনি শ্ৰান্ত হৈ কপালৰ ঘাম হাতেৰে মচি পেলোৱাত সেই ঘামৰ একণিকা মোৰ মুখৰ ভিতৰলৈ সোমাইছিল আৰু তেনেকৈ মই গৰ্ভৱতী হৈছিলোঁ। সেই গৰ্ভজাত পুত্ৰয়েই হ'ল এই মৎস্যবল্লভ। গতিকে—এই ল'ৰাটি দৰাচলতে আপোনাৰেই পুত্ৰ।"

স্বুবৰ্চ্চলাৰ কথা শেষ হোৱাৰ লগে লগেই দৈৱবাণী হ'ল: "হনুমান! স্বুবৰ্চ্চলাৰ কথা আখৰে আখৰে সত্য। মৎস্যবল্লভ তোমাৰেই পুত্ৰ! —মৎস্যবল্লভ ইমান দিন ধৰি পাতালৰাজ মহীৰাৱণৰ দাসত্ব কৰিছিল। এইবাৰ — তোমাৰ দৰ্শনলাভৰ পাছৰপৰা তাৰ সেই দাসত্বৰ ওৰ পৰিল। মৎস্যবল্লভ এতিয়াৰপৰা মুক্ত।"

তেতিয়া হনুমানে মৎস্যবল্লভক বুকুত আঁকোৱালি ল'লে।

স্বুবৰ্চ্চলাই হনুমানক ক'লে, "আপুনি পাতালৰাজ্যত মহীৰাৱণৰ বন্দীনি হৈ থকা চন্দ্ৰসেনাৰ ওচৰলৈ যাওক। মহীৰাৱণৰ প্ৰাণ-ৰহস্য তাই জানে। চন্দ্ৰসেনাই নিশ্চয়েই আপোনাক সহায় কৰিব।" এই বুলি কৈ, মহীৰাৱণৰ দাসত্বমুক্ত মৎস্যবল্লভক লগত লৈ স্বুবৰ্চ্চলা তাৰপৰা গুচি গ'ল।

চয়তানী কিছ্‌ছা

বহু বহু কালৰ আঁগৰ কথা। বোগদাদ নগৰত আব্‌দুল্লাহ্‌ নমৰ এগৰাকী আমীৰ (ধনিক) মানুহ বাস কৰিছিল। তেওঁ চয়তানৰ কিচ্ছা (কাহিনী) শুনি বৰ ভাল পাইছিল আৰু শুনাওঁতাক জোখে-জোখাৰে পুৰস্কাৰো দিছিল।

তেওঁ বোগদাদ নগৰত ঘোষণা কৰোৱাইছিল যে চয়তানৰ কাহিনী শুনাই তেওঁক তুষ্ট কৰিবপৰাক তেৱোঁ তুষ্ট কৰিব কিন্তু দুষ্টালিৰ চেষ্টা কৰাই কষ্ট পাব। পুৰস্কাৰৰ লোভত পৰি কত যে শুনাওঁতা আহে, আহি আসন-ভিৰিকৈ বহি গল-হেঁকাৰি মাৰি গল্প ক'বলৈ লয় — কিন্তু কাহিনীৰ আদবাটতে অব্‌দুল্লাহ্‌ই গুছ্‌ছা (খং) উঠি সেই কওঁতাৰ পিঠিত সৌকাৰে শোধায়, ঔ পাৰে, আক গুৱাল-গলিৰে আদৰে: "কহানী (কাহিনী) ক'ব নাজান যদি আহিলি কেলেই মোক দিগ দিবলৈ হাৰামজাদ! বদমাছ!" কওঁতাই আল্লাহ-ৰছুল বুলি লৰৰে।

এদিন — অতি ফটা-ছিঙা কাপোৰ-কানি পিন্ধা মানুহ এজন অব্‌দুল্লাহ্‌ৰ কাষ চাপিল, তেতিয়া আব্‌দুল্লাহ্‌ই দন টানি খাই-বৈ শুই-বহি উগাৰ ছাৰি আছিল। এই ফটা-ছিঙা কাপোৰ পিন্ধাক তেওঁ সুধিলে, "কোন হে তুমি হোলাৰ ভাই মোলাটো? তুমিও মোক চয়তানৰ কাহিনী শুনাবলৈ আহিছানে কি?"

"হুজ্‌—জুৰ!" মানুহজনে ক'লে, চয়তানৰ কাহিনী কোৱাত মই হমীদৰ যোৰা চৈধ্যভুৱনতো বিচাৰি নাপাব। কওক হুজুৰ, চয়তানৰ কাহিনী কওঁনে?"

"ঠিক হ্যয়, ছুনাও চৈতান কী কিছ্‌ছা।" আব্‌দুল্লাহ্‌ই ক'লে, "তোমাৰ

'আৰবদেশৰ লোক-কথা'

কিছ্‌ছা যদি মোৰ পছন্‌ হয়—তোমাৰ ফটাকানি-লতাকানি একো নাথাকিব।"

"হুজ্‌—জুৰ! মই আপোনাক এক আজাইব (আজব) চয়তানৰ কাহিনী শুনাম। এই চয়তানৰ কাহিনী শেষ হোৱাৰ লগে লগে খুদ্‌ (স্বয়ং) চয়তান আপোনাৰ সমুখত হাজিৰ হ'বহি।"

হমীদৰ কথা শুনি আব্‌তুল্লাই জোৰ্‌ছে হাঁহিলে আৰু ক'লে "বকোৱাছ (বক্তৃতা) বন্দ্‌ (বন্ধ) কৰো, জিন্‌কা (ভূত-প্ৰেত-চয়তানৰ) কিছ্‌ছা বাতাও।"

"ঠিক হ্যয় —হজ্‌জৌৰ!" ফটা ছিঙা হমীদে ক'লে, "শুনক তেন্তে কিছ্‌ছা। মোৰ বিবিৰো (পৰিবাৰৰ) ভূত-ভূতনীৰ কিছ্‌ছা শুনাৰ বৰ চখ। চখ—কিন্তু তাই বৰ ডৰপুক্‌। বাহিৰত এন্ধাৰ হোৱাৰ লগে লগে মই কওঁ জিন্‌-ভূত-চয়তানৰ কিছ্‌ছা। আৰু এইদৰে কহানী শুনি শুনি—এদিন ভয়ৰ চোটতে তাইৰ কলিজা—ফট্‌!

"ফট্‌!" আব্‌তুল্লাই আচৰিত হৈ হমীদক সুধিলে, "তাৰ মানে?"

"ফট্‌ মানে হুজুৰ—ফাটি গ'ল। মানে মানে—মৰি গ'ল তাই।"

"ই-ও কিবা ভাল চয়তানৰ কিছ্‌ছা হ'লনে?" আব্‌তুল্লাই হমীদক ইতিকিং কৰি ক'লে।

"শুনকেই হুজুৰ! কিছ্‌ছাৰ এয়া আ'ন্তনীহে। তাৰ পাছত তাই—মোৰ সেই বিবিজান এদিন নিজেই ভূতুনী হৈ আহিল--আৰু আহি—মোক— মোকো ডিঙিত টিপা মাৰি ধৰি—সাজি সাজি কোৱা ভূতুনীৰ কিছ্‌ছা কোৱাৰ কাৰণে— মোকো মাৰি পেলালে হুজুৰ!" হমীদে বহাৰপৰা বিজুলী গতিৰে থিয় দিয়াত আব্‌তুল্লাই মৰ-চিঞৰ এটা মাৰি ঠাইতে কটা কলগছ এজোপাৰ দৰে বাগৰি পৰিল।

এই ঘটনাৰ পাছৰপৰা আব্‌তুল্লাই আৰু চয়তানৰ কাহিনী শুনাত নাছিল।



নাৰীমুক্তিৰ পথ

স্বামী অকালতে স্বৰ্গী হোৱাৰ পাছত পাৰ্বতীয়ে পুতেক শিৱকুমাৰক অতি যত্নৰে পালন-পোষণ কৰি ডাঙৰ-দীঘল কৰি তুলিছিল। তাৰ পাছত—যেতিয়া শিৱৰ বিয়া দিবৰ বয়স হ'ল, তেতিয়া পাৰ্বতীয়ে কোনোবা এজন নিকট-সম্পৰ্কীয় লোকৰ সুজাতা নামৰ ছোৱালীজনীকে বোৱাৰী কৰি আনিবলৈ খাটাং কৰিলে। কিন্তু শিৱই ইপিনে—পদ্মা নামৰ ধনিকৰ ছোৱালী এজনীৰ সৈতে বিয়াৰ কথা প্ৰায় ঠিকেই কৰি পেলাইছিল, শুনি—এদিন পাৰ্বতী নিজেই পদ্মাজনীৰ কাষ চাপিল।

পদ্মা আছিল ধনী-ঘৰৰ ছোৱালী। কিন্তু কেৱল ধনৰ ধনীয়েই নহয়, মনৰো, আৰু লগতে সৌন্দৰ্য্যৰো।

পাৰ্বতীয়ে পদ্মাজনীক ক'লে, "শুনা পদ্মা, আমাৰ পৰিয়ালখন কিন্তু ধনী-পৰিয়াল নহয়। কেৱল ল'ৰাটোহে ভাল।"

"কথা তেনেকুৱা নহয়। আমি দুয়ো এক পৰস্পৰিক বুজা-পৰালৈ আহিছোঁ, আৰু দুয়ো দুয়োকো ভাল পাই পেলাইছোঁ—কথা সিমানেই। এতিয়া — আপুনি আশীৰ্বাদ কৰে যদি—আমাৰ বিয়া হৈ যাব।" পদ্মাজনীয়ে স্পষ্টকৈ কৈ দিলে।

"তেনেহ'লে ময়ো কওঁ—তোমালোকৰ ঘৰৰপৰা আমাৰ শিৱই যদি এক পইচীয়া এটাও নলয়—আৰু তুমি যদি আমাৰ ঘৰুৱা কাম-বন নিজেই কৰিবলৈ সাজু থাকা—তেনেহ'লে এই বিয়া হ'ব পাৰে।"

ঘৰলৈ উভতি আহি পাৰ্বতীয়ে পুতেক শিৱক ক'লে, "চোৱা, তুমি সুজাতাজনীক বিয়া নকৰোৱা যদি আমাৰ বদনাম হ'ব।

অনিন্দিতা গগৈ



সিহঁতে ৰটি ফুৰিব যে—আমি পইচাৰ লোভতহে পদ্মাক আনিলোঁ।"

শিৱকুমাৰে ক'লে, "মা, তোমাৰ কথা মই বুজি পাইছোঁ। তেনেস্থলত আন কোনোবাজনী দুখীয়া বা দুখীয়াক বোৱাৰী কৰি অনাত মোৰ আপত্তি নাই।"

পুতেকৰ কথাত মাকে তেও কিঞ্চিত সন্তোষ লভিলে আৰু ক'লে, "তেনেহ'লে তই পদ্মাজনীকে আন। কিন্তু সিহঁতৰ ঘৰৰপৰা আন একো নানিবি। কোনেও যাতে আমাক ধনৰ লুভীয়া বুলি নকয়—তালৈ তই কিন্তু নিশ্চয় চকু দিবি।"

তাৰ পাছত এদিন শিৱকুমাৰ আৰু পদ্মাৰ বিয়াখন হৈ গ'ল। পাৰ্বতীয়ে পদ্মাজনীৰ সৈতে কোনো ৰকমৰ বেয়া আচৰণ নকৰিলে। কিন্তু তেওঁৰ চৰ্তবিলাক পুতেকৰ আগত পদ্মাজনীক আকৌ ক'লে।

শুনি পদ্মাজনীয়ে ক'লে, "আই, আপুনি যি কৰিবলৈ ক'ব মোক—তাকে কৰিম। মই ধনী-পৰিয়ালৰ ছোৱালী হ'লেও—ঘৰুৱা কাম-কাজ মই ভালদৰেই কৰিব পাৰোঁ। কিন্তু মোৰো চৰ্ত এটা আছে। চৰ্ত—মাত্ৰ এটা। চৰ্তটো হ'ল যে—মই যি কৰিম—আনৰ চকুৰ আঁৰত কৰিম। কি বাচন-বৰ্তন মলা. কি কাপোৰ চাফা কৰা—ঘৰ সৰা বা ৰন্ধা-বঢ়া—সকলো কামেই মই আন কোনেও নেদেখাকৈ দুৱাৰ বন্ধ কৰি কৰিম।"

পাৰ্বতীয়ে পদ্মাৰ এই কথাৰ উত্তৰত কি ক'ব কি নকব—বুজি উঠাৰ আগতে পদ্মা আৰু শিৱকুমাৰ তাৰপৰা গ'লগৈ।

অৱশ্যে—পদ্মাৰ কথাত ক'বলগীয়া সিমান একো পাৰ্বতীৰ বোধহয় নাছিল। কিয়নো—পদ্মাজনী বোৱাৰী হৈ অহাৰ পাছৰপৰা 'ঘৰখনৰ সকলো কাম ইমানেই নিয়াৰিকৈ হৈ আছিল যে — পাৰ্বতীয়ে আচৰিতেই মানিছিল। বাচন-বৰ্তন সদায় জাকমকীয়া হৈ থাকিছিল। কাপোৰ-কানিৰ তো কথায়েই নাই, ঘৰ-দুৱাৰবোৰ

ফু মাৰি ভাত খাব পৰা, আৰু সদায়ে ভোজ-ভাতৰ সোৱাদ সেৱাদ ৰন্ধা-বঢ়া। ইমানবোৰ কাম বোৱাৰীয়ে কেনেকৈ যে ইমান নিয়াৰিকৈ কৰিছিল—সেই কথা পাৰ্বতীয়ে ভাবিও উলিয়াব পৰা নাছিল।

কিছুদিনৰ অন্তত এদিন সুজাতাৰ দেউতাক সন্মথ পাৰ্বতীৰ ওচৰলৈ কিবা কামত আহিল। ইকথা-সিকথাৰ পাছত সন্মথই পাৰ্বতীক ক'লে যে সুজাতাজনীৰ বাবে তেওঁ দৰা বিচাৰি পোৱা হ'ল।

পাৰ্বতীয়ে ক'লে, "শুনি বৰ ভাল পালোঁ। দৰা—কেনেকুৱানো?"

সন্মথই সামান্য হাঁহিৰে সৈতে ক'লে, "নিকটাত্মীয়হঁতেই যিস্থলত মুখ ঘূৰাই লয়—সিস্থলত ক'তনো আৰু ভাল দৰা পাম?"

এই কথাত পাৰ্বতীয়ে দুখ পালে। তেতিয়া তেওঁ কি কি চৰ্তত পদ্মাজনীক বোৱাৰী কৰি আনিলে সন্মথক ক'লে।

পাৰ্বতীৰপৰা পদ্মাজনীৰ কাম-কাজৰ বিবৰণ শুনি আৰু নিজ চকুৰে চাই সন্মথই ক'লে, "ইমানবোৰ কাম — তোমাৰ বোৱাৰীয়ে কৰেনো কেনেকৈ? নিশ্চয় ইয়াৰ আঁৰত কিছু ৰহস্য আছে। নিশ্চয় তুমি নেদেখাকৈ চাকৰ-নাকৰবোৰেৰে এইবোৰ-অতবোৰ কাম কৰোৱা হয়।"

শুনি—পাৰ্বতীয়ে চঁক খাই উঠিল।

পাছদিনা পাৰ্বতীয়ে ঘৰলৈ সঁচাকৈয়েই চাকৰ-নাকৰ আহেনে কি—সেই কথালৈ লক্ষ্য ৰাখিলে। এসময়ত তেওঁ দেখা পালে যে— পাৰ্বতীয়ে পাকঘৰৰ দুৱাৰ বন্ধ কৰিলে আৰু সেই পাকঘৰৰ পিছ দুৱাৰেদি এজনী মানুহ সোমাই আহি বাচন-বৰ্তন মলিবলৈ ধৰাৰ উপৰিও ৰান্ধিবলৈ ধৰিলে। পদ্মাই তেতিয়া নিজৰ শোৱাকোঠালৈ আহিল, আৰু তাত আৰামত বহি চিত্ৰ আঁকি থাকিল।

ইমান প্ৰতাৰণা দেখিও নেদেখা হৈ থাকিব নোৱাৰি। পাৰ্বতীয়ে খঙেৰে পদ্মাৰ আগতেই পুতেকক কথাখিনি ক'লে।

পুতেক শিৱকুমাৰে একো ক'বলৈ নৌ পাওঁতেই পদ্মজনীয়েই কৈ উঠিল, "আই, মই কিন্তু আপুনি কোৱা মতে শুই-বহি খোৱা নাই। মই পঢ়াশলীয়া জীৱনত শিক্ষা কৰা চিত্ৰ আঁকি দিওঁ আৰু তেওঁ সেই চিত্ৰবোৰ চহৰলৈ নি বেচে। তাতে যি ধন পাওঁ—সেই ধনেৰে আমি আমাৰ সহায়কাৰী লওঁ। এই কথাত কিবা দোষ দেখেনে, আই?"

শিৱকুমাৰে ক'লে, "মা, আমি যে নিতৌ ভালৰো ভাল খাওঁ—তাত কিবা দোষ আছেনে? আমাৰ সহায়কাৰীহঁতে—মানে চাকৰ-চাকৰণীহঁতে শ্ৰম কৰে আমাৰ তৃপ্তিৰ কাৰণে, আমি সিহঁতক পইচা-পাতি দিওঁ। কিন্তু আমিও আনৰ তৃপ্তিৰ কাৰণে শ্ৰম কৰোঁ--পইচা-পাতি পাওঁ। কিহলৈনো জগৰ লাগিল?"

তেতিয়া তাত বৈ থকা সন্মথই কৈ উঠিল, "যেনেকৈয়েই এই ব্যাখ্যা নকৰা, আচলতে ধন আনিব পৰা বোৱাৰীয়েই আনিলা। ধন — সিহঁতৰ ঘৰৰপৰানে ক'ৰপৰা—তাৰ কোনো মানে নাই।"

তেতিয়া পাৰ্বতীয়ে সন্মথলৈ ঘূৰি চাই ক'লে, "শুনা, সন্মথ, মই পদ্মজনীক আৰু শিৱকো কৈছিলোঁ যে — পদ্মাইতৰ ঘৰৰপৰা এটা এপইচীয়াও নানিবি। আৰু —সিহঁতে অনাও নাই। কিন্তু শ্ৰমৰ বিনিময়তো ধন নানিবি বুলি মই কোৱা নাছিলোঁ। গতিকে—অকাৰণে স্বাৱলম্বী পদ্মাজনীৰ ওপৰত খং কৰি ঘেং কৰাতকৈ — তোমাৰ ছোৱালী সুজাতাজনীকো স্বাৱলম্বী কৰি তোলাগৈ। নাৰী মুক্তিৰ পথ এনেয়ে নোলাব, আকাশৰপৰাও সেই পথ নামি নাহিব। স্বাৱলম্বনেই হ'ল নাৰীমুক্তিৰ প্ৰধান পথ।"

শুনি—চকুচৰহা সন্মথৰ চকুও মুকলি হ'ল, আৰু মুখত কোবোৱা দমৰাহেন হৈ তলমূৰ হৈ তাৰপৰা নিমাতে গুচি গ'ল।



চান্দমামাৰ সম্বাদ

‘ৰক্ষা’!

ইংল্যাণ্ডৰ প্ৰখ্যাত ফুটবল খেলুৱৈ তথা গোল-কিপাৰ হ’ল পল্ এডমান্ড্‌ছ্। ২৮ বছৰীয়া এই খেলুৱৈজনে কিমান বাৰ যে অনিবাৰ্য্য গোল হ’ব ধৰা বল ধৰি দলক ৰক্ষা কৰিছে, তাৰ লেখ-জোখ নাই। কিন্তু যোৱা ১১ অগাস্টৰ দিনা তেওঁ যি ‘ৰক্ষা’ কৰিছিল, সেই ৰক্ষাৰ তুলনা নাই। সেই দিনা ৪০ফুট ওখ এটা অট্টালিকাৰ খিৰিকীৰপৰা দুবছৰীয়া শিশু এটিতললৈ পৰি থকা দেখা পাই এডমণ্ড্‌ছ দৌৰি গৈ সেই শিশুটিক ‘বল’ এটা ধৰাদিয়েই ‘ৰক্ষা’ কৰিলে!

গোলক-গিয়ানী সোণজনী!

মাদ্ৰাজ নগৰৰ নাৰ্চাৰি স্কুল এখনত প্ৰথম শ্ৰেণীৰ ছাত্ৰী হ’ল শ্ৰীবিদ্যা। তাইৰ পাঠ্যক্ৰমত এতিয়ালৈকো ভূগোল নাই, কিন্তু ভূগোলত তাইৰ জ্ঞান আচৰিত হ’বলগীয়া। পৃথিৱীৰ নগৰ ৰাজধানী মৰুভূমি সাগৰ ক’ত কি আছে—তাই হেলাৰঙে কৈ দিব। যেনে—জিম্বাৱেৰ ৰাজধানীৰ নাম সুধিলেই তাই অনায়াসে ‘হাৰাৰে’ বুলি ক’ব। আমেৰিকাৰ ‘ন্যাশ্যাণ্ডাল জিঅ’-গ্ৰাফিক ছোছাইটি’য়ে সম্প্ৰতি শ্ৰীবিদ্যাক সমিতিৰ সদস্য কৰি লৈছে। তাই যেতিয়া দুবছৰীয়া আছিল, তেতিয়াৰেপৰাই মোমায়েকৰ কোলাত বহি তাই ভূগোলৰ তথা এটলাছৰ পাঠ লৈছিল!

হেৰেমগৰীয়া

ইতালিৰ হালি পৰা পিছা নগৰীৰ স্মাৰকস্তম্ভ হাজাৰ-বিজাৰ দৰ্শনাৰ্থীৰ আকৰ্ষণৰ বস্তু। তেতিয়াৰ দিনত পিছা নগৰখন সিমান বিখ্যাত নাছিল। কোৱা হয় যে—সেই কাৰণে, নগৰখনৰ প্ৰতি দৰ্শনাৰ্থীসকলৰ দৃষ্টি আকৰ্ষণ কৰাৰ উদ্দেশ্যৰেহে এই স্মাৰকস্তম্ভ হেলনীয়াকৈ সজা হৈছিল। কিন্তু এই কথাৰ সত্যতা নাই। সম্প্ৰতি এই কথা আৱিষ্কৃত হৈছে যে—১১৭৬ চনত এই স্মাৰকস্তম্ভ য’ত নিৰ্মিত হৈছিল, তাতে, নিৰ্মাণকালৰ দহ বছৰৰ আগতে এক বিৰাট দ’ গাঁত আছিল!

জ্যোতিষী গাধ

সুধাৰা নৈৰ তীৰৱৰ্তী সুমংগল গাঁৱত এগৰাকী নাম-ডাক থকা জ্যোতিষী বাস কৰিছিল। তেওঁৰ সমান সঠিক ভৱিষ্যদ্বক্তা কেৱল সেইখন গাঁৱতে নহয়, সেই অঞ্চলতো, বা আৰু সঠিককৈ ক'বলৈ হ'লে সেই দেশতো আন কোনো নাছিল।

এইগৰাকী জ্যোতিষীৰ নাম ক্ৰমাত ৰাজধানীলৈকো বিয়পি পৰিল। ৰাজধানীৰ ৰাজকৰ্মচাৰীসকলে জ্যোতিষী-গৰাকীক মাতাই অনালে ৰাজধানীলৈ। তেওঁলোকে জ্যোতিষীগৰাকীৰ ক্ষমতাৰ শলাগ ল'লে আৰু তেওঁক ৰাজ-জ্যোতিষীৰ বাব দিয়ালে। ৰাজানুগ্ৰহত এই গুণী কিন্তু ধনৰ দুখীয়া জ্যোতিষীগৰাকীৰ আৰু কোনো অভাৱ নাথাকিল। তেওঁ প্ৰচুৰ মাটিৰ গৰাকী হ'ল আৰু ধনে-ধানে সা-সম্পদে টনকিয়াল হৈ উঠিল।

এবাৰৰ কথা। এই জ্যোতিষীগৰাকী তেতিয়া নিজৰ গাঁৱৰ ঘৰতে আছিল। দুপৰীয়াৰ খোৱা-লোৱাৰ অন্তত অলপ ধোঁৱা-বাগৰ দিয়াৰ মনেৰে তেওঁ ঘৰৰ বাৰাণ্ডাত ঢাৰি পাতি কাতি হৈ আছিল। ঠিক তেতিয়াই গাঁৱৰ নিশিধোবাই তাৰ গাধটোৰ পিঠিত কাপোৰৰ দ'ম বোজাই কৰি ঘৰলৈ গৈ আছিল।

ধোবা নিশিয়ে জ্যোতিষীক কাতি হৈ থকা দেখি ক'লে, "মালিক, আপোনাৰ ধাননিত কাটি থোৱা ধানখিনি চপ্‌কৰে ঘৰলৈ লৈ অহাৰ দিহা কৰক!"

"কিয় অ'? কিয় তেনেকৈ কৈছ?"

"কি যে কয় মালিক—' এতিয়াই বিৰাট ধুমুহা বলিব যে জানেনে নেজানে?"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

শুনি জ্যোতিষীয়ে হো হোকৰে হাঁহি উঠিল, "হাৰে ধোবাৰ পো—তোমাৰ ভৱিষৎগণনা একেবাৰেই অথলে যাব। এতিয়া—এই শৰতকালি—ধুমুহা বলিব কেনেকৈ অ'? আৰু — আকাশলৈ চোৱাচোন — চোৱা, ইমান নীল-নিৰ্মল আকাশতো কিবা ধুমুহা আহিব পায়নে? অগিয়ানীয়ে গিয়ানীৰ ভাও সুজুৰিবিচোন।

"মালিক, মই আপোনাৰ ভালৰ কাৰণেহে কৈছিলোঁ। মই আকাশৰো একো নুবুজোঁ, বতৰৰো বুজ নাপাওঁ। কিন্তু—অলপ সময়ৰ পাছত ধুমুহা যে বলিবই—তাক বুজি পাওঁ। ধানখিনি নষ্ট হ'লে আপোনাৰহে হ'ব, মোৰ নহয়।" এই বুলি কৈয়েই নিশিধোবা গুচি গ'ল।

নিশিধোবা গুচি যোৱাৰ পাছত নিশিৰ অপাৰ মূৰ্খতাৰ কথা ভাবি জ্যোতিষীগৰাকীয়ে পেটে পেটে হাঁহি থাকিল। তেওঁ আকৌ এবাৰ আকাশৰ পিনে চালে। পশ্চিম দিশত—ৰঙা-ক'লা মেঘৰ আভাস যেন দেখা পালে। তেওঁৰ ভ্ৰুযুৰি কোঁচ খাই পৰিল, আৰু লগে লগে ধুমুহা বলিল, বিজুলী চমকিল, গোটেই আকাশখন গাজি উঠিল, ধুমুহাৰ লগত মুষলধাৰ বৰষুণো দি থাকিল।

জ্যোতিষীগৰাকীৰ ধাননিত থকা ধানখিনি নষ্ট হ'ল। কিন্তু এই কথা ভাবি মনত তাতোকৈ কষ্ট হ ল—যে তেওঁ ধৰিব



নোৰৰা কথাটো বেটা ধোবা এটাই ধৰি পেলালে। কেনেকৈনো দিলে সি বতৰৰ বতৰা এনে আগজাননী?

ধুমুহা যেতিয়া মাৰ গ'ল, তেতিয়া তেওঁ পোনে পোনেই নিশিধোবাৰ কাষ চাপিল। তেওঁ ধোবাটোক সুধিলে, "নিশি, কেনেকৈনো তুমি ধুমুহাৰ আগ-জাননী দিছিলাহে? তুমিও যে জ্যোতিষ জানা—মানি লৈছোঁ মই কথাটো। কিন্তু ইমান ঠিকেঠাকে কেনেকৈ যে ক'লা—তাকে ভাবি তৰধ মানিছোঁ। তুমি কাৰ ওচৰত ইমান ধুনীয়াকৈ জ্যোতিষ শিকিলা? তোমাৰ গুৰু কোন?"

এইবাৰ নিশিধোবাৰ মুখত হাঁহিৰ ঢৌ উঠিল। নিশিয়ে ক'লে, "মালিক—জুতিষত মোৰ গুৰু হ'ল মোৰ গাধটো। মোৰ গাধটোৱে এইবোৰ জু তি ষ ইমান সঠিককৈ ক'বাৰ পাৰে, আপুনি বিশ্ব-সংসাৰৰ জুতিষ শিকিলেও তেংকৈ নইৰ্ বাক্। বতৰ বেয়া হৈ অহাৰ লগে লগেই, আনকি আগৰেপৰাই মোৰ গুৰু গাধটোৰ গাৰ নোমবোৰ থিয় হৈ উঠে, কাণ দুখনেও থিৰেৰে থিয় দিয়ে আৰু সি চকুদাঙিদাঙি ঘনে ঘনে আকাশলৈ চায়। আৰু তাৰ পাছত—যেতিয়া বতৰে গেলিবলৈ ল'ব, তাৰ কিছু সময় আগৰেপৰাই সি গাধ-জুতিষীয়ে তাৰ নেজ লৰাই লৰাই ইফালে-সিফালে কেৱল লৰা-ধপৰা কৰি থাকে। ইমানকে ক'ব পাৰোঁ যে—গাধৰ জুতিষ হ'ল একেবাৰে সঠিক জুতিষ।"

তেতিয়া ৰাজ-জ্যোতিষীগৰাকীয়ে ধোবাটোক ক'লে, "শুনা, যি হ'ল—হ'ল আৰু। কিন্তু আজিৰ এই ঘটনাৰ কথা কাকো কস্মিনকালেও নক'বা। কিয়নো, মোৰ ইজ্জত বোলা কথা আছে। মইহেন জ্যোতিষীৰ গিয়ান এটা গাধতকৈও কম—এই কথা জ্যোতিষশাস্ত্ৰৰ স্বাৰ্থতেই লোক-সমাজত প্ৰচাৰ কৰিব নোৱাৰি।"

বিচিত্ৰ প্ৰকৃতি



দিনৰ নিমাখিত—ৰাতি বিপৰীত!

পানীৰপৰা বামলৈ আহি দিনে-পোহৰে ঘঁৰিয়ালে যেতিয়া ৰ'দ পুৱায়, তেতিয়া ঘৰিয়ালৰপৰা কোনো বিপদ নাই বুলি কোৱা হয়। তেতিয়া ঘঁৰিয়ালৰ মুখৰ ভিতৰত থকা পোক-পৰুৱা, জোঁক বা অন্যান্য যিকোনো সৰুসুৰা চৰাই—চিৰিকতি আদিয়েও স্বচ্ছন্দে ঘুৰা-ফুৰা কৰিব পাৰে। তাৰ মুখৰ ভিতৰত অ'ত ত'ত লাগি থকা পোক-পৰুৱা বা সৰু সৰু মঙহৰ টুকুৰা আদি খুটি খাব পাৰে. ঘঁৰিয়ালে তেতিয়া লৰচৰকে নকৰে। কিন্তু—ৰাতিৰ পৰতে যেতিয়া পুনৰ পানীৰ তল পাবগৈ তেতিয়া ঘঁৰিয়াল ভয়ংকৰ হৈ উঠিব। তেতিয়া সি যি পাব যাক পাব ধৰি খাব!

যাব আগলৈ—উৰে পিছলৈ!

গুৱাতেমালাৰ ৰাষ্ট্ৰীয় পক্ষী হ'ল—কোৰেজাল। কোৰেজাল পক্ষীৰ মতাবোৰ হ'ল পৃথিৱীৰ সৰাতোকৈ সুন্দৰ চৰাই। দীঘলে ৩৫ ছেনটিমিটাৰ আৰু ইয়াৰ পুচ্ছ তথা ফিছাৰ দৈৰ্ঘ্য দেহাৰ দুগুণ। এই চৰাইৰ বিশেষত্ব হ'ল যে গছৰ ডালৰপৰা উৰি যাওঁতে ই পোনে পোনে সমুখৰ ফালে নগৈ পোনতে পিছফাললৈ যায়, আৰু তাৰ পাছতহে সমুখলৈ উৰে। বোধ হয়—গছৰ কোনো ঠাল-ঠেঙুলিত যাতে আঘাত নাপায় তাৰ কাৰণেই এই চৰাইৰ এনে অভ্যাস হৈছে!

পোহৰৰ পোহাৰ!

জোনাকী পৰুৱা হ'ল পোহৰ থকা প্ৰাণী। ই নিজৰ সংগীক আকৰ্ষণ কৰাৰ বাবে উজলি উঠে। পোহৰ-চকুৱা মাছও আছে---যিবোৰ মাছে পোহৰ উলিয়ায়। আচলতে এইবিধ মাছৰ চকুত যি জীৱাণু থাকে, সেই জীৱাণুবোৰহে উজলে। ইবিধ মাছে চকুৰ পতাৰে পোহৰ বন্ধ কৰিব পাৰে। ব্ৰাজিলৰ আদিবাসীসকলে ৰাতি বাট-পথ পোহৰ কৰাৰ কাৰণে পোহৰ-ওলোৱা কাঠফুলা ব্যৱহাৰ কৰে!




NOW, GIVE YOUR SON
a life-like model
of the world's finest gun

No more toys for your big little boy! Now, you can give him the real thrill of the world's greatest gun.

Tru-Gun. A true-to-life model of the UZI submachine gun developed by Mossad – Israel's elite commando unit.

The feel. The finish. The size. The shape. The sound. Tru-Gun is so much like the original, you can't tell the difference – till you pull the trigger.

- **squirts water in a powerful jet**
- **fires non-stop in a rapid burst**
- **unbreakable high-grade plastic**
- **no sharp edges, no metal pieces**
- **available in black, olive green, metallic silver**

New

Tru-Gun

U.Z.I. submachine gun

A life-like gun loaded with fun

Special Introductory Blast !

Cut out this coupon and shoot over to your favourite toy store, to get 5% off on your TRU-GUN U.Z.I. submachine gun.

Name : ....

Age : .... Class: ....

Address : ....

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৩ চনৰ মাৰ্চ্চ সংখ্যাত প্ৰকাশিত হ'ব ।

M. Natarajan

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৩ চনৰ জ্যানুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯২ চনৰ নভেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পশুধন

দ্বিতীয় ফটো : শিশুমন

প্ৰদীপ স্বৰ্গীয়াৰী, ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়, নৱম শ্ৰেণী, ৰঙিয়া।

ভাৰতত বছৰেকীয়া বৰঙণি চান্দমামা ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ

অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে **105.00** ● উৰাজাহাজ-যোগে **252.00**

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে **111.00** ● উৰাজাহাজ-যোগে **252.00**

আপোনাৰ বৰঙণি কেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ

ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

CHANDAMAMA
(Assamese)
January 1993
Regd. No. TN/MS (S)